Year of Publication 1928

# তিনি ঘৈণী।

(ধেমেলীয়া নাট)

NOT TO BE ISSUED

শ্ৰীবেণুধৰ ৰাজখোৱা, বি-এ।

# তিনি ভৈয়েণী ।

DHSK COLLEGE
LIBRARY
Accession No 14,155
Call No 891.452/RAJ

শ্ৰীবেণুধৰ ৰাজখোৱা, বি-এ,

প্ৰণীত ।

Data Entered

যোৰহাট ।

*14155*

[ বেচ ৷৷০ আঁঠ অনা মাথোন ।

DIBRUGARH H. S. KANOI COLLEGE LIBRARY.

প্ৰকাশক :—
শ্ৰীবেণুধৰ ৰাজখোৱা, বি-এ,
যোৰহাট।

প্ৰিণ্টাৰ :—
শ্ৰীজিতেন্দ্ৰ কুমাৰ দাস
আসাম প্ৰিণ্টিং ওৱাৰ্কস
কালী বিল্ডিং, যোৰহাট।

# পাতনি।

এই সৰু নাটখনি বহু আশা কৰি ৰাইজৰ আগত দাঙ্গি ধৰিলোঁ। যদি কোনোৱে দেশৰ প্ৰকৃত হিত সাধিব খোজে, তেনেহলে তেওঁ প্ৰথমতে নিজৰ গৃহস্থালি জীৱনটি যাতে শান্তিময় হয়, তাৰ নিমিত্তে কাৰবাৰ কৰিব লাগে। গৃহস্থালি জীৱন নিজঞ্জলীয়া কৰিবলৈ হলে, কোনোৱে যেন বহু-বিবাহ নকৰে। বহু-বিবাহ কৰিব-লগীয়া হলে, যাক সহধৰ্ম্মিণী-স্বৰূপে গ্ৰহণ কৰা হয়, তেওঁ যেন যথা-সম্ভৱ সুলক্ষণী হয়, তাৰ নিমিত্তে চেষ্টা কৰিব লাগে। সকলোৱে জানে, ডেকালী তেজৰ প্ৰেম অন্ধ। সেই দেখি ডেকালী চকুৰে ছোৱালী চাই অনা নিয়মটি অবিধেয় নুবুলি নোৱাৰি। যত দূৰ সম্ভৱ, মাক বাপেকৰ গাত ছোৱালী বছাৰ ভাবটি থাকিব লাগে।

নাটৰ উন্নতিয়েই দেশৰ উন্নতি। কোন্ জাতি কিমান উন্নত, এই কথা জানিব খুজিলে, সেই জাতিৰ নাট কেইখনি পঢ়ি চালেই সম্পূৰ্ণৰূপে এই বিষয় জানিব পৰা যায়। সকলো জাতিতকৈ ইংৰাজ জাতি বোচ উন্নত। তাৰ প্ৰমান চেক্সপিয়াৰৰ নাট কেইখনি। নাটৰপৰা কি কি লাভ হয়, চোৱা যাওক। ১ম, সমাজৰ দোষবিলাক উদ্ঘাটন কৰি দেখুৱাই, সেইবিলাকৰ প্ৰতি ৰাইজৰ ঘৃণাৰ উৎপাদন কৰা হয়। ২য়, গুণ-বিলাক ফটফটীয়াকৈ আঁকি দেখুৱাই, সেইবিলাকৰ প্ৰতি ৰাইজৰ স্পৃহা আকৰ্ষণ কৰা হয়। ৩য়, সমাজৰ চিত্ৰ ফট্‌ফটীয়াকৈ অঙ্কিত কৰি, সমাজ উন্নতি-জখলাৰ কোন্ খাপত থিয় দিছে, তাৰ নিদৰ্শন পোৱা যায়। ৪ৰ্থ, অতীতৰ চিত্ৰ দাঙ্গি ধৰি, ভবিষ্যতে খোজ কাঢ়িবলৈ বাট

দেখুওৱা হয়। ৫ম, বুৰঞ্জীৰ বীৰত্ব-মূলক ঘটনা ও পুৰাণৰ ধৰ্ম্ম-প্লাবিত ঘটনা স্বচক্ষে দেখি প্ৰাণ সঞ্জীবিত কৰা হয়। ৬ষ্ঠ, গীত, বাদ্য ও নৃত্যৰ উৎকৰ্ষ সাধিবলৈ প্ৰেৰণা পোৱা যায়। ৭ম, ঘটনাৱলী জীৱন্ত কৰিবৰ নিমিত্তে ৰঙ্গমঞ্চৰ কল-কাৰখানাৰ উন্নতিৰ অৰ্থে উদ্যোগ কৰোঁতে বিজ্ঞানৰ উন্নতি-সাধন কৰা হয়। এইবিলাকৰ লগে লগে অন্যান্য বিবিধ বিষয়ৰ উন্নতি নাটৰ দ্বাৰা সংগঠিত হয়। এনে হেন নাটৰ সংখ্যা বঢ়াবলৈ হলে, কিছুমান ধেমেলীয়া নাটৰ আৱশ্যকতা। উঠি-অহা ডেকা সকলে অনেক প্ৰকাৰৰ সুন্দৰ ধেমেলীয়া নাট ৰচনা কৰি যেন অসমীয়া ৰঙ্গমঞ্চৰ উন্নতি-সাধন কৰে, ইয়াকে আশা কৰি এই নাটখনি উলিয়ালোঁ। দেশহিতৈষী সকলে ইয়াক আদৰেৰে গ্ৰহণ কৰিলে শ্ৰম সফল মানিম। ইতি—

যোৰহাট
৭ এপ্ৰিল, ১৯২৮

শ্ৰীবেণুধৰ ৰাজখোৱা।

# ভাৱৰীয়া সকলৰ নাম।

## পুৰুষ ঃ—

| | | |
|---|---|---|
| অলিৰাম | ... ... | এজন শিক্ষিত ডেকা। |
| কলিৰাম<br>বলিৰাম<br>হলিৰাম | ... | অলিৰামৰ বন্ধু। |
| বেদকণ্ঠ | ... ... | অলিৰামৰ কুল-পুৰোহিত। |
| কলীয়া | ... ... | ভাগতী। |
| বুদ্ধ<br>বিকা | ... | ওজা। |
| মুকুন্দ | ... ... | নাম-লগোৱা। |
| মধু | ... ... | বৈৰাগী। |
| ভোলানাথ | ... ... | ফকিৰ। |
| কেৰপাই | ... ... | অলিৰামৰ পুৰণি চাকৰ। |

ভোলানাথৰ চেলা, বেহেৰা।

## তিৰোতা ঃ—

| | | |
|---|---|---|
| ফুলেশ্বৰী | ... ... | অলিৰামৰ ১ম ঘৈণীয়েক। (অল্প-শিক্ষিতা) |
| ৰংদৈ | ... ... | অলিৰামৰ ২য় ঘৈণীয়েক। (অশিক্ষিতা) |
| পদ্মী | ... ... | অলিৰামৰ ৩য় ঘৈণীয়েক। (উচ্চ-শিক্ষিতা) |
| মলাহী | ... ... | কেৰপাইৰ ঘৈণীয়েক। |

# তিনি ঘৈণী।

## প্ৰথম অঙ্ক।

### ১ম দৰ্শন—অলিৰামৰ ঘৰ।

( ফুলেশ্বৰী বহি আছে। )

ফুলে—আমাৰ বিয়াৰ বছেৰেক পূৰ হল। আজিলৈকে তেওঁৰ মতি-গতি নলবিল। ৰাতিয়ে দিনে ক'ত ফুৰে গৈ, তাৰ ঠিকনা নাই। এতিয়া ৰাতি হল, ঘৰলৈ আহিব লাগে বুলি তেওঁৰ মনত পৰাই নাই।

( অলিৰাম আহি সোমায়। )

অলি—দেখোন অকলে অকলে।

ফুলে—লগ নো ক'ত পাওঁ। অকলে আহিছোঁ, অকলে যাম গৈ।

অলি—থকা কেইটা দিন হে লগেৰে থাকিব লাগে। তাকে হে সংসাৰ বোলে। লগ মই আছোঁৱেই নহয়।

ফুলে—কথা শুনিলে গাত জুই জ্বলি আহে। এই দৰে হলে বিয়া কৰাৰ আৱশ্যকতা নাছিল। এঘৰৰপৰা এজনী নিৰপৰাধিনী ছোৱালী মাক বাপেকৰ বুকুৰপৰা আজুৰি আনি নগুৰ-শাস্তি দিবলৈ আগৰে-পৰা আপোনাৰ গুপ্ত অভিসন্ধি আছিল নে কি ?

অলি—মই তোমাৰ কথাৰ অৰ্থ একো বুজিব পৰা নাই। দিনৰ দিনটো কামে-কাজে ঘূৰি ফুৰোঁ। গধূলি ঘৰ চাপিলে যদি শান্তি নাপাওঁ, তেনেহলে বিয়া কৰাটো মোৰ পক্ষে দৰাচলে ভুলেই হল বুলিব লাগে।

ফুলে—এতিয়া হবলা গধূলি হৈ আছে। ডবা কোবায় কেতিয়া জানে নে? বাতি এপবত ঘৰ সোমাইছে হি, তাৰ ওপৰতে কয় বোলে শান্তি নাপায়। গৰু হলেও সাজ-লগাতে ঘৰলৈ চাপে।

অলি—তুমি যি বাক্য ব্যৱহাৰ কৰা, সেই বাক্যৰ শব্দবিলাকৰ অৰ্থ বুজিব পাৰা নে?

ফুলে—আমি মূৰ্খ মানুহ, কি অৰ্থ বুজিব পাৰিম। যি অৰ্থ বুজিব পাৰে, সেইবিলাকেৰে আলাপ কৰিব লাগে। তাৰপৰা আহিল নো কিয়?

অলি—তোমাক আজি সতৰ্ক কৰি দিছোঁ, মোৰে সৈতে কথা পাতোঁতে জিবাত লেকাম দিবা।

ফুলে—মোৰ জিবাত লেকাম নিদিওঁ। লাংচিঙ্গেৰে কাবোবাৰ হে কুমত খুচিম—তেহে মোৰ হেঁপাহ পলাব।

( উচাট্ মাৰি গুচি যায়। )

অলি—আজি তো আৰু ভাত মুঠিব আশা নাইকিয়া হল। এনে অসুখত দিন কটোৱাতকৈ বীণ-বৈৰাগী হোৱাই ভাল। সদায় দন্দ-খৰিয়াল। ইমান পৰে কি কৰিছিলোঁ, তাৰ সোধ-পোছ নাই, পোনেই 'কলৈ যাওঁ গোপাল, কলৈ যাওঁ কপাল'। এয়ে অল্প-শিক্ষাৰ ফল। যাওঁ, চাহ এটুপি খাই ঢাৰিপাটীত পৰি থাকোঁ গৈ।

( প্ৰস্থান। )

## ২য় দৰ্শন—কেৰপাইৰ পঁজা।

কেৰপাই আৰু মলাহীয়ে গান গায় ও নাচে।

### গীত।

ঢেৰা-থাকে থাকে, কায়া-ছায়া নচুৰাওঁ।
আলাৰতে চলি চলি পিচলি পিচলি যাওঁ॥
কোৱা বাক দুটি কায়া
সঁচা কায়া নে মায়া,
পাখি মেলি উৰা মাৰি, ফুৰি ফুৰি গীত গাওঁ॥

কেৰপাই—মলাহী, আমাৰ কেনে মজা! দেউতাই বুলি ভাত বাঢ়ি থৈছিল—পঞ্চামৃত ষড়ৰস! আজি আমাৰ পেটত সেয়ে পৰিল।

মলাহী—এইদৰে সদায় দুইবো কাজিয়া-বখৰা হৈ থাকিলে আমাৰ কিহৰ চিন্তা আছে।

কেৰ—তেও বুলি আইদেৱে সদায় এইদৰে দেউতাক দকচি থকাটো ভাল নহয়। এনেকৈ থাকিলে ভেলটোও থিয় হৈ দাঁত নিকটাই দেখুৱাব। নই হলে আইদেওৰ গাত হে দোষ বোলোঁ।

মলা—মোৰ মনেৰে, দেউতা সম্পূৰ্ণ জগৰীয়া। আইদেওৰ নিচিনা তিৰোতা সতকাই পোৱা টান।

কেৰ—যেনেকৈ তোৰ নিচিনা তিৰোতা মোৰ পক্ষে সতকাই পোৱা টান। হেৰ, মোৰ মাণিকী-মধুৰী মানিহী জনী, বাৰু কচোন, শোৱন নাই খাৱন নাই, ৰাতিয়ে দিনে খৰিয়াল পাতি থাকিলে মাইকী জনী জগৰীয়া নে মতাটো জগৰীয়া?

মলা—কিয়, মাইকী হে দন্দুৰী, মতা দন্দুৰা হব নাপায়!

কেৰ—নহয় অ'! বোলোঁ জিবাখন চঞ্চল কাৰ, মাইকীৰ নে মতাৰ?

মলা—জানো অ' কি কথাখন কৈছ। হাতখন চঞ্চল কাৰ? মুনিহে

মাৰ-কীল কৰিব পায়, তিৰীয়ে পিঠি পাতি জিবাখন দাঁতেৰে কামুৰি ধৰি থাকিব লাগে। তিৰীৰ বল নাই, কেৱল মুখেৰেই গালি নাপাৰি কৰে কি?

কেৰ—হেৰ, তোৰ মোৰ কথা এৰ। দেউতাই সতকাই অকাৰণত আইদেওক টোকৰ এটাকে মৰা নাই। তেনেহলে নো আইদেৱে কিয় তেওঁক দকচি থাকে।

মলা—ভালৰ মূৰত।

কেৰ—আজি নো কি জগৰটো হল?

মলা—দেউতা এপৰ নিশা আহি ঘৰ সোমাইছে হি। আইদেও দেখি হে সহি আছে, আন এজনী হোৱা হলে আজি তলৰ মাটি ওপৰ হলহেঁতেন।

কেৰ—কিয় নো বেলি হল, তাৰ জানো কাৰণটো সুধিছিল?

মলা—কাৰণ আছিল যদি নকলে কিয়?

কেৰ—কবলৈ দেখোন ততকে নেপালে। পোনেই খাওঁ খাওঁ মূৰ্ত্তি। আমি দেখোন নিলগৰপৰা জুপি চায়েই আছিলোঁ।

মলা—কি কাৰণ থাকিব পাৰে অ'। সদায় নো কাৰণ থাকে নে কি? তোৰে সৈতে মই এতিয়া দন্দ পাতিব লাগিব হে।

কেৰ—লোকৰ কথা লোকৰ বতৰা, আমি নো তকৰাৰ কৰি কি পাৰ পাম। (কাওবাওকৈ) কাবৌটি কৰিছোঁ, তই মোৰে সৈতে দন্দ নাপাতিবি। (স্বগত) কোনো মতে আঢ়ৈকুৰি বছৰীয়া মানুহটোৰে ডেৰকুৰি বছৰীয়া মানুহজনী পাইছোঁ—এই গলে আৰু মৰিশালিটোৰেহে আমাৰ বিয়া পাতিব গৈ লাগিব।

মলা—দন্দ পাতিম কেলৈ মোৰ সোণামুৱা। কথাৰ মাত হে কৈছোঁ। আহ যাওঁ, দেউতা আৰু আইদেৱে কিবাজানি আমাৰ বিচাৰ লয়েই।

কেৰ—ব'ল, ব'ল, আমি কেতিয়াও দন্দ নাপাতোঁ দেই। আমাৰ হৰ-গৌৰী বসতি হৈছে। মহাদেৱ আৰু পাৰ্ব্বতীয়ে যেনেকৈ যায়, আহ আমিও সেই দৰে ওচৰা-ওচৰিকৈ যাওঁ।

( ডিঙিত ধৰাধৰিকৈ গান গায়। )

গীত।

মৰাৰে চালিত চকুত জলক লাগে।
চকুত জলক লাগে ঐ চকুত জলক লাগে॥
চকু ভাঙ্গি ভাঙ্গি
হালি জালি চাওঁ,
নৰা-ছিঙ্গা নাচোনত, চকুত জলক লাগে ॥

( প্ৰস্থান। )

---

# দ্বিতীয় অঙ্ক।

## ১ম দৰ্শন—কলিৰামৰ বুলনী।

( কলিৰাম উপবিষ্ট। অলিৰামৰ প্ৰৱেশ। )

কলি—বান্ধ, আজি দেখোন বিমন দেখিছোঁ। কিবা বাতৰি আছে নে কি?

অলি—বান্ধ, আজি বিপদত পৰি তোমাৰ ওচৰলৈ আহিছোঁ। এটা উপায় লাগে।

কলি—কিহৰ উপায়? তুমিয়ে দেখোন বুদ্ধিৰ ভঁৰাল।

অলি—বুদ্ধিৰ ভঁৰাল নহওঁ বুলি নকওঁ। আনক বুদ্ধি দিব পাৰোঁ। বেজৰ ঘৰত নৰীয়া হলে আন বেজ কিয় মাতে? উকীলৰ গোচৰ লাগিলে আন উকীল কিয় লগায়?

কলি—কথাটো সঁচা। বাৰু কোৱাচোন কি হল? প্ৰিয়তমাৰ মান-ভঞ্জন কৰিব-লগীয়া হৈছে নে কি?

অলি—তুমি বিষয়টো খেপিয়াই ঠিক ধৰিছা। মানে আমাকো ভাঙ্গিব লগীয়া কৰিছে।

কলি—আকৌ মানৰ দিন আহিল নে কি? কাঠৰ দা জোকাৰিয়েই, বান্ধ, তোমাক ঘটুৱাব পাৰিব নে?

অলি—আজি কালি কাঠৰ দা লোৰ দাতকৈ চোকা। অবলাৰ বল! সবলৰ আসন টলবল!

কলি—নিজৰ তিৰোতা জনাৰে যদি শান্তিৰে থাকিব নোৱাৰিলা, তেনেহলে তোমাৰ শিক্ষাৰ কি সফলতা হল?

অলি—মোৰ তিৰোতাৰ নাম ফুল জানাই আৰু মোৰ নাম অলি। ভাবিছিলোঁ, ভোমোৰাৰে ফুলেৰে যি প্ৰীতি-বন্ধন, আমাৰো সেয়ে হব। কিন্তু সেয়ে নঘটিল। তেওঁৰ প্ৰধান দোষ, সদায় হোৱাতো নোহোৱাতো মোৰে সৈতে কাজিয়া পাতে। এনেকুৱা দন্দুৰী তিৰোতা মই আৰু কতো আন ঠাইত দেখা নাই।

কলি—তুমি প্ৰেমৰ কথা কবা, তেতিয়া খং নামি যাব।

অলি—প্ৰেমৰ কথা কলে আন তিৰোতাৰ আগত প্ৰেমৰ কথা পাতিব লাগে বুলি কয়।

কলি—তেনেহলে সেয়ে প্ৰেমৰ ঈৰ্ষা—অৰ্থাৎ সেয়ে প্ৰেমৰ অতিৰিক্ত মাত্ৰা। প্ৰেমৰ দ্বাৰা হে প্ৰেম বশ হব।

অলি—বান্ধ, মোৰ পালিত যেন ঈশ্বৰে তোমাক নেপেলাওক। কোনো মাইকী মানুহৰ চিঠি যদি জেপত পায়, তেনেহলে সেই দিনা আমাৰ চকৈৰে জাল নাযায়। কাৰবাৰী মানুহলৈ চিঠি-পত্ৰ অনেকে দিয়ে— মাইকীয়েও দিয়ে মতায়ো দিয়ে। তাত নো কি দোষ হয়, মই একো বুজিব নোৱাৰোঁ। তেওঁৰ কথা মতে চলিবলৈ যাওঁতে যাওঁতে মোৰ কাৰবাৰ লাহে লাহে বেয়া হৈ

গৈছে। তেওঁ মোলৈ সদায় সন্দেহৰ চকুৰে চায়। কোনো তিৰোতাৰ ফালে চকু কৰিলেই আধ্যা। আলিবাটে তিৰোতা গলে মই হেনো মুখ একলীয়া কৰি যাব লাগে। ইত্যাদি ইত্যাদি কিমান কম। তোমাৰ কথা সচাঁ, যদি তিৰোতা শিক্ষিতা হয়। অল্পবিদ্যা ভয়ঙ্কৰী। মোৰ তিৰোতা অল্প-শিক্ষিতা। সেই দেখিয়েই এইবিলাক বেমেজালি। মোৰ মনেৰে অশিক্ষিতা ছোৱালীয়েই ভাল।

কলি—শিক্ষিত আৰু অশিক্ষিতাৰ মিল কেনেকৈ হব?

অলি—অশিক্ষিতাক শিক্ষিতা কৰিবলৈ সৰহ শ্ৰম নালাগে। কিন্তু অল্প-শিক্ষিতাক তুমি অলপো লৰাব নোৱাৰাঁ।

কলি—বান্ধ, এটা কথা কওঁ বিমন নাপাবা। আৰু এগৰাকি বিয়া কৰিলে একা?

অলি—তেনে কৰিলে শিক্ষিত সমাজত মুখ দেখুৱাব পাৰিবা নে?

কলি—তুমিয়েই সমাজৰ অগ্ৰণী। আজি তুমি যি বাট দেখুৱাবা, কাইলৈ সৰ্ব্ব-সাধাৰণে সেই বাটে বাট বুলিব।

অলি—পাছে দুজন তিৰোতা হলে কাজিয়া বাঢ়িব নে টুটিব?

কলি—এতিয়া হে আচল বাটলৈ আহিছা। তুমি অশিক্ষিতা ছোৱালী ভাল বুলিছাই। আৰু অশিক্ষিতা ছোৱালী দন্দত অপ্ৰতিদ্বন্দ্বী, তাকো জানা।

অলি—তেনেহলে?

কলি—তেনেহলে প্ৰথম ঘৈণীয়ে তোমাৰে সৈতে দন্দ কৰিলে, তুমি দ্বিতীয় ঘৈণীক যুদ্ধ-ক্ষেত্ৰত নমাই দি নিজে আঁতৰি পৰিবা। তেতিয়া দেখিবা, প্ৰথম ঘৈণীয়ে দন্দ পাতি আৰু আগৰ নিচিনাকৈ জুতি নাপাব।

অলি—( কলিৰামৰ পিঠিত চপৰিয়াই ) চাবাইচ্, বান্ধ, চাবাইচ্।

শকুনী নহলে দুৰ্য্যোধনৰ দিনতে এন্ধাৰ। পাছে বান্ধ, আজি কালি আমাৰ দেশৰ কেনে দুৰৱস্থা নেদেখিছা। মানুহৰ খোৱা-পিন্ধাৰ বৰ কষ্ট হৈছে। আমি যদি দুই বিয়াৰ প্ৰথা উলিয়াই দিওঁ, তেনেহলে দেশ-দ্ৰোহী নহম নে?

কলি—যাৰ অৱস্থা হীন, তাৰ পক্ষে দুই বিয়া গৰ্হিত। কিন্তু যাৰ দুই নালাগে তিনি বিয়া কৰিব পৰা ঐশ্বৰ্য্য আছে, তেওঁৰ পক্ষে সেই কাম দূষণীয় নহয়। বান্ধ, দুই বিয়া মই গুণৰ ভিতৰত হে গণ্য কৰোঁ। আসামত লোক-সংখ্যা নিচেই তাকৰ। লোক-সংখ্যা বঢ়োৱাই বৰ্ত্তমান কালত প্ৰত্যেক মানুহৰ প্ৰধান কৰ্ত্তব্য বুলিব লাগে। যাৰ অৱস্থা ভাল, তাৰ সৰহীয়া লৰা ছোৱালীয়ে সৰহীয়াকৈ দেশৰ হিত সাধিব পাৰিব। যাৰ অৱস্থা বেয়া, তাৰ সৰহীয়া লৰাই জীৱিকাৰ অৰ্থে দেশ বিদেশলৈ যাব —গোটেই দেশত সদায় তোল-পাৰ লগাই থাকিব। তেতিয়া জগতৰ মানুহে অসমীয়া সভ্য নুবুলি যায় কলৈ?

অলি—সেইবিলাক কথা এৰা। কুল-পুৰোহিতৰ বিনা অনুমতিত এই কাম সিদ্ধ হব নোৱাৰে। তেওঁ মত দিব নে?

কলি—শাস্ত্ৰমতে যেতিয়া বাধা নাই, তেওঁ কিয় মত নিদিব?

অলি—মোৰ ভবিষ্যৎ অমঙ্গলৰ আশঙ্কা থাকিলে মত নিদিব পাৰে।

কলি—তোমাৰ বৰ্ত্তমান অমঙ্গল ধ্ৰুব-সত্য। এতেকে ভবিষ্যতৰ গৰ্ভলৈ জাঁপ দিয়াটো জানো বেয়া হব?

অলি—বান্ধ, তোমাৰ উপদেশ দৰাচলে সাৰগৰ্ভ। আজিলৈ যাওঁ। এই বাৰ গৈ পুৰোহিতেৰে পৰামৰ্শ কৰোঁ গৈ।

কলি—ভাল, ময়ো এতিয়া ভিতৰলৈ যাওঁ।

[ উভয়ৰ প্ৰস্থান। ]

## ২য় দৰ্শন—অলিৰামৰ ঘৰ।

( অলিৰাম বহি আছে। বেদকণ্ঠৰ প্ৰবেশ। )

অলি—দেউ, বহক। মই আপোনাৰ ঘৰলৈ যাওঁ হে বুলিছিলোঁ।

বেদ—কিবা গুৰুতৰ সমস্যা উপস্থিত নে কি?

অলি—হয় দেউ, আপুনি সকলো কথা জানেই। মোৰ ঘৰ ভাগিবৰ উপক্ৰম হল। এই তিৰোতাৰে মোৰ গৃহস্থালি নচলে। এনেকুৱা দন্দুৰী ঘৈণী সাত-শক্ৰৰো নহওক।

বেদ—তেনেহলে নো কি উপায় কৰিব খুজিছা?

অলি—দ্বিতীয় বিবাহৰ নিমিত্তে কাৰবাৰ কৰিব খুজিছোঁ। কেৱল আপোনাৰ অনুমতি হলেই হয়।

বেদ—বোপা, পুৰুষৰ বহু-বিবাহ শাস্ত্ৰ-সম্মত। সেই বুলিয়েই যে বহু-বিবাহ কৰিব লাগে তাৰ কোনো অৰ্থ নাই। যদি বহু-বিবাহ নকৰিলে নহয়, তেনেহলে হে আৰু বিবাহৰ আয়োজন কৰিব লাগে।

অলি—দেউ, কেনেকুৱা অৱস্থাত নো শাস্ত্ৰই দ্বিতীয় বিবাহ বিধেয় বুলিছে?

বেদ—মহৰ্ষি আপস্তম্বে কৈছে ঃ—

ধৰ্ম্মপ্ৰজাসম্পন্নে দাৰে নান্যাং কুৰ্ব্বীতান্যতৰাপায়ে তু কুৰ্ব্বীত। অৰ্থাৎ ধৰ্ম্ম-পৰায়ণা তিৰোতা থাকিলে আৰু সন্তান হলে দ্বিতীয় বিবাহ নকৰিব। সেয়ে নহলে দ্বিতীয় বিবাহ কৰিব।

অলি—সন্তান হবৰ দিন উকলি যোৱা নাই সচাঁ, কিন্তু আমাৰ ঘৈণীক ধৰ্ম্ম-পৰায়ণা কেনেকৈ বুলিব? ধৰ্ম্ম-পৰায়ণা হলে জানো এনে দন্দুৰী হয়।

বেদ—তুমি যদি পাপাচাৰী হোৱাঁ, তেনেহলেও তিৰোতা দন্দুৰী হব নালাগে। পুৰুষৰ চৰিত্ৰ যেনে কি বীভৎস হওক, তিৰোতাই তেওঁকে ঈশ্বৰ বুলি মানিব লাগে। এয়ে হিন্দু ধৰ্ম্ম।

অলি—হিন্দু ধৰ্ম্ম এনে উদাৰ দেখি হে কুৰি শতিকাৰ প্ৰৱল সোঁতত ই উটি যোৱা নাই।

বেদ—তদুপৰি, তোমাৰ যে দ্বিতীয় বিবাহ অপৰিহাৰ্য্য, তাৰ যথেষ্ট বিধান আছে।

শাস্ত্ৰত লিখা আছে: —

ভাৰ্য্যায়ৈ পূৰ্ব্বমাৰিণ্যৈ দত্বাগ্নীনন্ত্যকৰ্ম্মণি।
পুনৰ্দাৰক্ৰিয়াং কুৰ্য্যাৎ পুনৰাধানমেৱ চ॥
বন্ধ্যাষ্টহমেধিবেত্যাব্দে দশমেতু মৃতপ্ৰজা।
একাদশে স্ত্ৰীজননী সত্বস্ত্বপ্ৰিয়বাদিনী॥

অৰ্থাৎ পত্নী প্ৰথমে পৰলোক প্ৰাপ্তি হলে তেওঁৰ অন্ত্যেষ্টি ক্ৰিয়া কৰি পুনৰায় দাৰ-পৰিগ্ৰহ আৰু অগ্নি-পৰিচৰ্য্যা কৰিব। পত্নি যদি বন্ধ্যা হয়, তেনেহলে প্ৰথম ঋতুৰপৰা অষ্টম বৰ্ষত, মৃতবৎসা হলে দশম বৰ্ষত আৰু কেৱল কন্যা প্ৰসৱ কৰিলে একাদশ বৰ্ষত দ্বিতীয় বিবাহ কৰিব। কিন্তু অপ্ৰিয়বাদিনী হলে তেতিয়াই তেতিয়াই দ্বিতীয় বিবাহ কৰিব।

তদুপৰি মনুৱে লিখিছে:—

মদ্যপাসাধুবৃত্তা বা প্ৰতিকূলা চ যা ভবেৎ।
ব্যাধিতা বাধিবেত্তব্যা হিংস্ৰাৰ্থঘ্নীচ সৰ্ব্বদা॥

অৰ্থাৎ মদ্যপায়িনী, দুশ্চৰিত্ৰা, পতিৰ প্ৰতিকূলবৰ্ত্তিনী, হিংস্ৰ-স্বভাবা, ৰোগিণী, ধনক্ষয়কাৰিণী পত্নী থাকোঁতেও দ্বিতীয় বিবাহ কৰিব। এতেকে তুমি দ্বিতীয় বিবাহ অচিৰে সম্পাদন কৰিব লাগে। আমাৰ মত সদায় শাস্ত্ৰৰ বিধান অনুযায়ী হে হব। পাছে এতিয়া পাত্ৰী পোৱা হৈছে জানো?

অলি—দেউ, আপোনাৰ বিধান সদায় শিৰোধাৰ্য্য। এই বাৰ অশিক্ষিতা

ছোৱালী আনিব খুজিছোঁ। প্ৰথম তিৰোতা অল্প-শিক্ষিতা বাবে মোৰ এনে দুৰ্দ্দশা হল। বৰ্ত্তমান মই স্ত্ৰী-শিক্ষাৰ বিৰোধী হৈছোঁ।

বেদ—মানুহে কথাতে কয়, অল্পবিদ্যা ভয়ঙ্কৰী। আৰু এটা কথা আছে, 'বামুণৰ বকৰা, তিৰোতাৰ পঢ়ুৱা'।

অলি—দেউ, দোষ নধৰিলে এটা প্ৰশ্ন কৰিব খোজোঁ।

বেদ—স্বচ্ছন্দে।

অলি—প্ৰথম বিবাহৰ সময়ত আপুনি কৈছিল যে তিৰোতাই অলপ লেখা-পঢ়া জনা ভাল। এতিয়া দেখোন আন মত দিছে।

বেদ—বোপা, তুমি অল্প-শিক্ষিতা কন্যা বিচাৰিছিলা আৰু কাজেই মই তোমাৰ মতৰ পোষকতা কৰিছিলোঁ। আৰু তুমি যেনে বিচক্ষণ পণ্ডিত, তোমাৰ পত্নীয়ে অলপ লেখা-পঢ়া নাজানিলে অসুবিধা হব বুলি দৰাচলে ভাবিছিলোঁ। কিন্তু কাৰ্য্যক্ষেত্ৰত এতিয়া বিপৰীত ফল দেখা গল। এতেকে মোৰ মতৰো পৰিবৰ্ত্তন ঘটিল।

অলি—বুজিলোঁ। আপুনি মোৰ চিৰকাল হিতাকাঙ্ক্ষী, তাৰ কিবা সন্দেহ হব পাৰে নে? দেউ, পত্নীৰে অমিল হলে খ্ৰীষ্টিয়ানে 'ডাইভোৰ্চ' কৰিব পাৰে, মুছলমানে তালাক দিব পাৰে। কিন্তু হিন্দু শাস্ত্ৰই পত্নীৰ সকলো অধিকাৰ অপহৰণ কৰি পুৰুষৰ দ্বিতীয় বিবাহ বিহিছে। দুশ্চৰিত্ৰা পত্নীৰ শাস্তি হিন্দুৱে যেনেকৈ দিব পাৰিছে, আন কোনো ধৰ্ম্মাৱলম্বীয়ে তেনেকৈ নোৱাৰে। অসমীয়া বেজে ভূতে পোৱা মানুহক উগ্ৰ ঔষধ দিয়ে। হোমিওপেথি প্ৰণালী মতে, সমানে সমানক আৰোগ্য কৰে। খাচ অসমীয়া মতে হুলে হুল কাঢ়ে। এতেকে মই অশিক্ষিতা বৈৰী আনি অল্প-শিক্ষিতা বৈৰীৰ শাস্তিবিধান কৰিম। অশিক্ষিতা বৈৰীয়ে অশিক্ষাৰ বাবে সম্পূৰ্ণ-

ৰূপে মোৰ বশীভূত হৈ থাকিব। আৰু তেনেকুৱা কুমাৰী বাৰীত প্ৰেম-গুটি সিচিঁলে লহ্পহ্কৈ যে বাঢ়িব, সেই বিষয়ে মই দৃঢ় বিশ্বাস কৰোঁ।

বেদ—বোপা, তোমাৰ আগত আমি কি বিদ্যাৰ মহলা দিম। আমাৰ শাস্ত্ৰত যি লিখা আছে, তাকে মাথোন আমি বুজাই দিব পাৰোঁ। তোমালোক নব্য যুৱক— তাৰ দ্বাৰা যেনে শিক্ষা বুটলি লোৱা আৱশ্যক বিবেচনা কৰাঁ, তেনে শিক্ষা লব পাৰাঁ।

অলি—মুঠতে কওক, দ্বিতীয় বিবাহত আপোনাৰ মত আছে।

বেদ—সম্পূৰ্ণৰূপে।

অলি—দেউ, এতিয়া সেৱা জনালোঁ। যৎকিঞ্চিৎ আগ বঢ়োৱা হৈছে, ধৰক।

( ১০৲ দহ টকি ৰূপ দিয়ে। )

বেদ—স্বস্তি। বোপা, আশীৰ্ব্বাদ কৰিছোঁ, হৰগৌৰী বসতি হওক।

( বেদকণ্ঠৰ প্ৰস্থান। )

অলি—ধন দিলেই বামুণৰ হতুৱাই সকলো কাম কৰাব পাৰি। এতিয়া পুৰোহিতৰ মত হল যেতিয়া পিতা আৰু আয়ে মোৰ কাৰ্য্যত হকা-বাধা নকৰে। যাওঁ, দ্বিতীয় বিবাহৰ যো-যা কৰোঁ গৈ।

( প্ৰস্থান। )

---

# তৃতীয় অঙ্ক।

## প্ৰথম দৰ্শন—অলিৰামৰ শোৱনী ঘৰ।

(অলিৰাম আৰু ৰংদৈ বহি আছে।)

অলি—হে হৃদয়-বল্লভা--

ৰংদৈ—আপুনি কি কৈছে, মই বুজিব পৰা নাই।

অলি—মই এতিয়াৈল এথোন একো কোৱা নাই। মাথোন সম্বোধন কৰিছোঁ। কবলগীয়া আৰম্ভ সম্বোধনৰ পাছত হে হব।

ৰংদৈ—'ৰিদয়-বলভা' নো কি ?

অলি—'হৃদয়'ৰ অৰ্থ বুকু, আৰু 'বল্লভ'া বুলিলে 'প্ৰিয়' বুজায়। এই সম্বোধনৰ অৰ্থ 'বুকুৰ প্ৰিয়া'।

ৰংদৈ—এতিয়াও বুজা নাই।

অলি—'বুকুৰ বান্ধৈ' এতিয়া বুজিছা নে ?

ৰংদৈ—বুজিছোঁ। কিন্তু আপুনি কি কব খুজিছে, তাকে হে কব লাগে ; এইদৰে আবৰি-বাবৰি নকলেও দেখোন হয়।

অলি—ইয়াকে প্ৰেমালাপ বোলে। প্ৰেমালাপ কৰিবলৈ হলে এইদৰে নানা ভঙ্গিৰে দীঘলীয়া আলাপ পাতিব লাগে।

ৰংদৈ—'পেম্‌লেপ' নো আকৌ কেনেকুৱা ?

অলি—(মনে মনে) কথা দেখোন লাহে লাহে বিসঙ্গতি হে হৈছে গৈ। (ফুটাই) গিৰিয়েকে ঘৈণীয়েকে যি ভিতৰ-বিশ্বাসী কথা পাতে, তাকে প্ৰেমালাপ বোলে।

ৰংদৈ—বুজিছোঁ। কিন্তু তেনেকুৱা কথা মাজে সময়ে পাতিব লাগে। আপুনি দেখোন খাওঁতে, শোওঁতে, বহোঁতে, উঠোঁতে, সদায়ে 'পেম্‌লেপ'কে হে পাতে। সেই দেখি আপোনাৰ ঘৰলৈ আহিবৰপৰা

আপোনাৰ কথাবিলাক শুনি শুনি মোৰ মূৰটো কামুৰি থাকে। ইমান দিন কথাটো নোকোৱাকৈ আছিলোঁ। কিন্তু এতিয়া আৰু অসহনি হল।

অলি—তুমি নিচেই আজলী ছোৱালী। প্ৰেমালাপৰ সোৱাদ বুজিলে মূৰ-কামোৰণি বা কৈনে যায়! আজিৰপৰা তোমাৰ মূৰ কামুৰিলে মোক মাতিবাচোন, মই প্ৰেমালাপ কৰিম। মূৰ-কামোৰণি ছাঁট-কৰে নাইকিয়া হব।

ৰংদৈ—'পেম্‌লেপ্' কৰিলে মূৰ কামোৰে বুলিছোঁৱেই—আকৌ কটা পাত চেঙ্গা তেল দিব খোজে নে?

অলি—তুমি প্ৰেমালাপাৰ বিজ্ঞান বুজি নোপোৱাঁ।

ৰংদৈ—ঔ আই, মূৰ কামুৰি তাৰ পাছত বিজ্ঞান হৈ আকৌ পৰি থাব লাগিব নে কি? এইদৰে নো কেনেকৈ আকৌ বেমাৰ ভাল হয়?

অলি—বিজ্ঞানৰ অৰ্থ এই ঠাইত 'অজ্ঞান' নহয়, বিশিষ্ট অৰ্থাৎ উত্তম জ্ঞান। বিজ্ঞান বুলিলে শাস্ত্ৰ বুজায়।

ৰংদৈ—কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলী, মহাভাৰত, ৰামায়ণ, এই-বিলাক হে শাস্ত্ৰ। বিজ্ঞান বুলি এখন শাস্ত্ৰৰ নাম আমি শুনা নাই।

অলি—বাৰু, শাস্ত্ৰ নুবুলিবা। কিতাপ বা নিয়ম বুলিবা। কথা একেই। তুমি জানা নে, কোনো কোনোৱে মন্ত্ৰ কৰি মানুহক অজ্ঞান কৰি থব পাৰে। আন কোনো উপায়েৰে সেই মূৰ্চ্ছা ভাল নহয়! পাছে সেই বেজে ওভোতা মন্ত্ৰেৰে তাক ভাল কৰে।

ৰংদৈ—হয়, শুনিছোঁ।

অলি—তেনেকৈ, প্ৰেমালাপ কৰোঁতে তোমাৰ মূৰ-কামোৰণি হলে, ওভোতা প্ৰেমালাপ কৰি মই সেই মূৰ-কামোৰণি ভাল কৰিব পাৰোঁ।

ৰংদৈ—এতিয়া বুজিছোঁ। মই আকৌ আন কিবা হে ভাবিছিলোঁ।

অলি—বাৰু, কি ভাবিছিলা, কোৱাচোন।

ৰংদৈ—আমাৰ ঘৰত থাকোঁতে কেতিয়াবা মূৰ কামুৰিলে, আয়ে মূৰত গামোছা এখন বান্ধি দিয়ে। ঘৰ টান হলে, কুমত কানিৰ লেপ দিয়ে। আপুনিও মুখেৰে মন্ত্ৰ পঢ়ি পেমেৰে কুমত লেপ দিয়ে বুলি জানিছিলোঁ।

অলি—( মনে মনে ) কথা নাহে নাহে কিহবালৈ হে বাগৰিছে গৈ। ( ফুটাই ) প্ৰেম নেদেখা বস্তু। ই হৃদয়ৰ আভ্যন্তৰীণ উচ্ছ্বাস। মোৰ প্ৰেমালাপ তোমাৰ কাণত মন্ত্ৰৰ দৰে লাগিব পাৰে। কিন্তু যেতিয়া প্ৰেমালাপৰ বিজ্ঞান বুজিবা, তেতিয়া দেখিবা, প্ৰেমালাপ প্ৰকৃততে অপেচৰীৰ স্বৰ্গীয় গীত।

ৰংদৈ—কেনেকৈ 'পেমলেপ' কৰিব লাগে, কথাটো বুজাই দিলে হে জানিম। নহলে, আপুনি কথা কলে মই কেনেকৈ উত্তৰ দিম।

অলি—সেইটো কথা সঁচা। বুজাই দিওঁ, মন পাবি শুনিবা।

মই কম—হে প্ৰেম-কুসুম!

তুমি কবা—হে প্ৰেম-পঙ্কজ!

মই কম—তোমাৰ অপাৰ মাধুৰী এই জগতত যে নাই, স্বৰ্গতো বিৰল!

তুমি কবা—আপোনাৰ মুখখনি পূৰ্ণিমাৰ সূৰ্য্যৰ মণ্ডল, প্ৰেমশতদল!

মই কম—তুমি কথা কলে কুলিয়ে তাৰ মাত বেয়া পেন ভাবি লাজত মূৰ দোঁৱায়।

তুমি কবা—আপোনাৰ কণ্ঠস্বৰ শুনিলে ভোমোৰাই গুঞ্জৰিবলৈ পাহৰি যায়।

ইত্যাদি ইত্যাদি।

অৰ্থাৎ তুমি মোক নানা প্ৰকাৰেৰে ( তোমাৰ ভাষাতেই হওক ) শলাগিবা, মই তোমাক শলাগিম।

ৰংদৈ— এইখিনি হলেই 'পেম্‌লেপৰ' আধ্যা পৰিব নে ?

অলি—আৰু আছে। সেইখিনিতে প্ৰথম আধ্যা শেষ হব, তাৰ পাছত এই হব—

চোৰাঁচোন, তুমি বহি আছা, তোমাৰ দীঘল চুলি তাঁৰ মাটিত পাক খাই আছে। পাক গুচাই মেলি দিলে এখনি সুন্দৰ প্ৰেমৰ শয্যা ৰচিত হব। সেই শয্যাতে মই মূৰটো পেলাই চকু দুটি মুদি থাকিম।

ৰংদৈ—সেয়ে হলেই হব নে ?

অলি—তুমি তেতিয়া তোমাৰ সুকোমল হাতখনিৰে মোৰ দুগালে দুটি চৰ মাৰিবা।

ৰংদৈ—(খঙ্গত) ৰাম ৰাম, কি অনাচাৰী। এনেকুৱা মানুহ বুলি মই নাজানিছিলোঁ। উস্ কি হল! মূৰটো বৰকৈ ঘূৰাইছে।

[ মূৰ্চ্ছিত হয়। ]

অলি—হাঁয় হাঁয়, কি হল! প্ৰেমালাপৰ পৰিণাম এয়ে নে ?

ৰংদৈ—( জ্ঞান পাই ) উস্ ৰাম! মূৰটো টলংভটং কৰিছে !

অলি—আহাঁ, বাজলৈ যাওঁ। অলপ বতাহ লাগিলে ভাল পাবা।

( উভয়ৰ প্ৰস্থান। )

---

## ২য় দৰ্শন—কেৰপাইৰ ঘৰ।

( কেৰপাই আৰু মলাহীৰ প্ৰবেশ। )

কেৰ—মলাহী !

মলা—মই জানো চলাহী ?

কেৰ—ঘৈণী !

মলা—মই জানো ঘাই শনি ?

কেৰ—মানিহী !

মলা—মই জানো কাণী চাহি ?

কেব—মাইকী।

মলা—মই জানো মাণিকী।

কেৰ—মানুহ জনী !

মলা—মই জানো জীৰা-যনী ?

কেব—হেৰৌ !

মলা—কেনৈ কৰিছ চেৰেওফেৰেও ?

কেব—বোলোঁ বাতৰি কি ?

মলা—হব লাগে যি।

কেব—আইদেৱে কি কৰিছে ?

মলা—মূৰে কপালে হাত দি বহি আছে। কালি ৰাতি কি হল, একো বুজিবই পৰা নাই। দিনত হোৱা হলে তেও জুপি-জাপি চালোঁহেঁতেন। শোৱনি-ঘৰৰ কথা, আমি ভিতৰৰ কথা কেনেকৈ জানিম।

কেব—সি গৰাকি আনিলে, সদায় খৰিয়াল ; এই গৰাকি আনিলে, আহিয়েই নিতাল ! বোলোঁ মলাহী, দেউতাৰ গোৰত শনি পৰিছে !

মলা—মোৰ মনেৰে দেউতাৰ গাত পৰচেষ্টা লম্ভিছে। নহলে মাই-কীয়ে নামানে কেনৈ ?

কেৰ—আন কথাত দেখোন দেউতাতকৈ ভাল মানুহ নায়েই। অকল ঘৈণীৰে সৈতে জঞ্জাল।

মলা—হেৰ মোৰ ভেকোন্দামুৱাটো, দেউতাই আৰু এগৰাকি তিৰোতা আনিব নে কি ঐ !

কেৰ—হেৰ মলামুৱী, তোৰ মুখত কথাটো ওলাল যেতিয়া কিজানি আনেই। কথাতে কয়, তিনি বাৰে নিবাৰ।

মলা—হেৰ কি কথাখন কৈছ। তোৰ দেখোন এবাৰ হে হৈছে, আৰু ছুবাৰ আছে নে কি ?

কেৰ—থাকিলে নো কি জগৰ ?

মলা—জগৰ নাই। আটাইবে তিনি বাৰ !

কেৰ—( নিৰিৰ অসমীয়া মাতৰ ঠাচেৰে ) কি নো কতাটো কলি, চেনেং ঐ বাংকৰ ঐ, তয়ো মন কৰিছ না কি ?

মলা—তই হলে মন কৰিব পাৰ, মই নোৱাৰোঁ ?

কেৰ—এৰি দে সেইবোৰ কথা, আমি ৰং কৰোঁ আহ।

( দুয়ো গীত গায়। )

## গীত।

আমাৰ সুখৰ সীমা কি ?
সাজে সাজে পইতা খাওঁ শুকান খৰিচা দি।
দিনটো লয়লাসে ঘূৰোঁ, পথিলাৰ দৰে নাচি ফুৰোঁ,
ৰাতিটো কটাওঁ নগা-ঢাৰিত নগা-শোৱন দি ॥

কেৰ—বল যাওঁ, বন-বাৰি আছে।

মলা—বল, আইদেওৰ ওচৰলৈকে যাব লাগিল। অলপ বিচিয়ে দিওঁ গৈ।

( দুইবো প্ৰস্থান। )

---

## ৩য় দৰ্শন—নৈৰ পাৰ।

( অলিৰাম অকলে বহি আছে। )

অলি—( গীত গায়। )

### গীত।

বঢ়ালোঁ হৃদয়-মাজে অমিয়া প্ৰেমৰ পুলি।
নিয়তি স্বৰ্ঁৰি সিটি চুমিছে ধৰাৰ ধূলি॥
মাতিব নে ই জীৱনে,
মৰমতে ঘনে ঘনে,
পঞ্চমত কণ্ঠ তুলি প্ৰিয়তম প্ৰেম-কুলি॥
বসন্ত-মলয়া আৰু
বলিব নে কোৱাঁ বাৰু,
জীৱন-ৰহস্য-মাজে বুৰিছোঁ আজি সমূলি॥

( বলিৰামৰ প্ৰবেশ )

বলি—সখি, আজি অকলে অকলে দেখোন ৰাতিপুৱাতে গীত ধৰিছা। গাব লাগে সুখৰ গীত, গাইছা শোকৰ গীত। ইও নিয়তিৰ বিধি বুলিব লাগে।

অলি—সখি, আহাঁ এখন্তেক দুয়ো বহি মোৰ মনৰ ভাৱৰখিনি পাৰোঁ যদি কিছু পাতলাওঁ। মোৰ মন বৰ অথিৰ।

বলি—( আচৰিত হৈ ) কি হল সখি, দ্বিতীয় সংসাৰো একেই নে কি? প্ৰথম ঘৈণী আছিল অল্প-শিক্ষিতা; সেই বাবে দ্বিতীয় ঘৈণী আনিলা অশিক্ষিতা। এতিয়া দেখিছোঁ, অল্প-শিক্ষিতা অশিক্ষিতা দুয়োৰো অৱস্থা সমৰূপ।

অলি—অশিক্ষিতা ছোৱালী আনিবৰ প্ৰধান কাৰণ আছিল, প্ৰথম ঘৈণীৰে সৈতে দন্দ পাতি মোক আজৰাই দিয়া। সেইটো হৈ নুঠিল—অৰ্থাৎ

তেওঁ যদিও অশিক্ষিতা, তথাপি কাজিয়া-পেঁচাল দেখোন নকৰে। ফলত, প্ৰথম ঘৈণীৰ গালি-বৰ্ষণ আৰু চৰিছে। পাছৰ কাৰণটো হৈছে, প্ৰেমৰ যাতে পূৰ্ণ-বিকাশ হয়। তাৰ বাবে কলুষিত নগৰবপৰা দূৰণীয়া ঠাইত থকা হাবিৰ ফুল পাহি আনি সেই ফুলৰ আমিয়া লীলা চাই জীৱন কৃতাৰ্থ কৰিবৰ ইচ্ছা। কিন্তু সেই আধা আৰু নোকোৱাই ভাল।

বলি—কিয়, প্ৰেমালাপ নাজানে নে কি? গাৱঁলীয়া ছোৱালী, নজনাৰে কথা। শিকাই ললেই হয়।

অলি—স্বয়ং সৰস্বতী আহিলেও তেওঁক সেই বিষয়ে শিক্ষিতা কৰাটো টান যেন পাইছোঁ। তোমাৰ শুনিলে হাঁহি উঠিব, প্ৰেমালাপ শব্দটোকে উচ্চাৰণ কৰিব নোৱাৰে।

বলি—প্ৰেমালাপ নুবুলি কি বোলে?

অলি—পেম্‌লেপ।

বলি—( খেলখেলকৈ হাঁহি ) আচৰিত! আচৰিত!

অলি—আৰু আচৰিত যে প্ৰেমালাপৰ আখৰা কৰিবলৈ যাওঁতে বিষম কাণ্ড উপস্থিত হল। অকস্মাৎ মূৰ্চ্ছিত হৈ পৰিল। বহুকষ্টেৰে হুঁচ্‌ অনা হল।

বলি—সখি, মই হাঁহা বাবে বেয়া নাপাবা। প্ৰকৃততে ই কান্দিবৰ বিষয় হে।

অলি—সচাঁ কথা। কিন্তু মই এতিয়া ভীষণ অৱস্থাপন্ন হৈছোঁ। বিবাহিত জীৱন-পুথিৰ কেয়ো আধ্যা শেষ কৰি হে আন চিন্তা কৰিব খুজিছোঁ।

বলি—তৃতীয় সংসাৰ কৰিব খুজিছা নে কি?

অলি—তুমি নো কি উপদেশ দিয়াঁ?

বলি—যদি প্ৰকৃততে এই দুই সংসাৰ তোমাৰ পক্ষে নিটিকিল, আৰু যদি তুমি পুনৰ এবাৰ সংসাৰৰ জুতি চাবলৈ চেষ্টা কৰিব খুজিছা, তেনেহলে আমি সেই প্ৰস্তাৱৰ বিপক্ষে থিয় দিয়াটো জানো প্ৰশস্ত হব ?

অলি—প্ৰথমতে অ-ল্পশিক্ষিতা ছোৱালী আনিলোঁ। সেই অনাও দেলে। এতিয়া উচ্চ-শিক্ষিতা ছোৱালী আনিব খুজিছোঁ, কি বোলাঁ ?

বলি—মোৰ মনেৰে, নমৰে মানে চাবা, মুবুৰে মানে বাবা।

অলি—হয় হয়, তুমি ঠিক কৈছা। প্ৰশস্ত ছোৱালীও আছে। আমিয়েই যদি উচ্চ-শিক্ষিতা ছোৱালী বিয়া নকৰোঁ, টেটু ফালি বক্তৃতা দিওঁ কিয় ?

বলি—এই কাৰ্য্যত তোমাৰ কুল-পুৰোহিতৰ মত হব নে ? তেওঁৰ মত নহলে তোমাৰ দেউতাৰাঁই কেতিয়াও মত নিদিয়ে।

অলি—পুৰোহিতে যেনি জোল খায় তেনি ভেঁটা দিয়ে। তেওঁক পোন কৰিবলৈ মোৰ মনেৰে সৰহ শ্ৰম নালাগিব।

বলি—ভাল হৈছে। উচ্চ-শিক্ষিতা ছোৱালী আঁৰ-বেৰ নোহোৱাকৈ ফুৰিব-চাকিব। যাতে তোমাৰ সংসাৰ সুখময় হয়, তাৰ নিমিত্তে আমিও তেওঁক উপদেশ দি থাকিব পাৰিম।

অলি—ভাল, এতিয়া মই পুৰোহিতেৰে দেখা কৰোঁ গৈ।

(দুইৰো প্ৰস্থান।)

---

## ৪ৰ্থ দৰ্শন—বেদকণ্ঠৰ ঘৰ।

(বেদকণ্ঠ বহি আছে। অলিৰামৰ প্ৰবেশ।)

অলি—সেৱা। বিশেষ সকামত আহিছোঁ।

বেদ—আকৌ কিবা লাগিল নে কি ?

অলি—আপোনালোকে লগাইছে যেতিয়া লাগিয়েই থাকিব।

বেদ—আমি জোৰা পাতিব পাৰোঁ সচাঁ, কিন্তু ফলাফল দৈবৰ হাতত।

অলি—দেউ, সকলো ভ্ৰষ্ট হল। কওকচোন বাৰু, উচ্চ-শিক্ষিত আৰু অশিক্ষিতা এই দুইৰো জোৰা আহে নে?

বেদ—আমাৰ মনেৰে নাহে, কিন্তু জ্যোতিষৰ গণনাত আহিছিল। তদুপৰি, তোমাৰ মন যেতিয়া সেই ফালে ঢাল খাইছিল, আমিও তাতে হৰিভৰ দিলোঁ। তুমি যেনেকুৱা উচ্চ-শিক্ষিত ডেকা, তেনেকুৱা উচ্চ-শিক্ষিতা ছোৱালী হলে তোমাৰ সংসাৰ মধুময় হব। তাত কোনো সন্দেহ নাই। পাছে কোৱাঁচোন, দ্বিতীয় ভাৰ্য্যাৰ দোষ কি?

অলি—মই যি কাম কৰিবলৈ কওঁ, সেই কাম নকৰে।

বেদ—তেনেহলে পতিৰ প্ৰতিকূলবৰ্ত্তিনী। সেয়ে হলেই পুনৰ্ব্বিবাহ শাস্ত্ৰ-বিহিত। পাছে, এতিয়া ছোৱালী নো কোন্?

অলি—পদ্মমী। আপুনি তেওঁক জানেই। বি-এ পাচ।

বেদ—অৱশ্যে জানো। তেওঁৰ বয়স ৩০ বছৰমান হব পায়।

অলি—বয়স হলে হে ভাল। তেতিয়া হে বিবাহিত জীৱনৰ মৰ্ম্ম বুজিব পাৰে।

বেদ—তেওঁ সকলোৰে আগতে ওৰণি নোহোৱাকৈ ফুৰে।

অলি—সি একো বেয়া নহয়। ওৰণিৰ ভিতৰত আবদ্ধ থাকিলে দুশ্চিন্তা বেগৱতী হয়। নহয় জানো?

বেদ—ফলেন পৰিচীয়তে। কিন্তু বোপা, অতি সাৱধানে চলিবা।

অলি—দেউ, এয়ে মোৰ শেষ সংসাৰ। সাৱধানে নচলিলে জানো হব।

বেদ—মই আশীৰ্ব্বাদ দিছোঁ, যেন নৱ-দম্পতীৰ হৰ-গৌৰী বসতি হওক।

অলি—সেৱা জনালোঁ। ( ২০৲ কুৰি টকা ৰূপ আগ বঢ়ায়। )

বেদ—স্বস্তি।　　　( অলিৰামৰ প্ৰস্থান। )

বেদ—কুৰি শতিকাৰ সভ্যতাত হিন্দু ধৰ্ম্মৰ জঁকা ওলাল, সমাজৰ ৰাজ-হাৰ ভাগিল। গৃহস্থালি জীৱন চেদেলি-বেদেলি হল। প্ৰকৃততে. সুখ সনাতন হিন্দু ধৰ্ম্মৰ ভিতৰত আছে। কিন্তু কোনে কাৰ কথা শুনে! আমি নিজে নো কৰিছোঁ কি? এই-বিলাক লীলাময়ৰ লীলা! যাওঁ, বিবাহৰ নিমিত্তে অলপ কাৰ-বাৰ কৰোঁ গৈ।　　　( প্ৰস্থান। )

---

# চতুৰ্থ অঙ্ক।

## ১ম দৰ্শন—অলিৰামৰ শোৱনি-ঘৰ।

( অলিৰাম ও পদুমী বহি আছে। )

অলি—আজি মোৰ জীৱনৰ অভিলাষ পূৰ্ন হৈছে। তোমাৰ নিচিনা উচ্চ-শিক্ষিতা ছোৱালী যাৰ সহধৰ্ম্মিনী, তাৰ জীৱনৰ অভাৱ কি?

পদু—আপোনাৰ নিচিনা উচ্চ-শিক্ষিত ডেকা যাৰ স্বামী, তাৰেই বা অভাৱ কি? আমাৰ আজিৰ এই যুগল-মিলন দেৱতা সকলে স্বৰ্গৰপৰা চাব-লগীয়া। এনেকুৱা যুগল-মিলনৰ নিমিত্তেই বোধ কৰোঁ, ঈশ্বৰে পুৰুষ আৰু তিৰোতা এই দুই শ্ৰেনী জীৱ স্ৰজন কৰিছিল। প্ৰাণেশ্বৰ, যেতিয়াই মই হোমৰ গুৰিত বহি আপোনাৰ অমিয়া-মাধুৰী ছবিটি দেখিলোঁ, তেতিয়াই মই পৃথিবীখন পাহৰি গলোঁ।

অলি—কিয়, তুমি মোক জানো আগৈয়ে দেখা নাই ? তুমি তো অবাধে যতে ততে ফুৰি ফুৰাঁ।

পদু—আগৈয়ে দেখিছিলোঁ, কিন্তু বেলেগ চকুৰে। তেতিয়া আপোনাৰ ৰূপো বেলেগ দেখিছিলোঁ, এতিয়া প্ৰেমৰ চকুৰে চাই আপোনাৰ ৰূপৰ মহিমা উপলব্ধি কৰি নিজেই কৃতাৰ্থ মানিলোঁ।

অলি—হৃদয়েশ্বৰী, তোমাৰ কথাত মই মোহিত হলোঁ! প্ৰেমাভিনয়ৰ প্ৰথম অঙ্ক শেষ হল। এতিয়া এটি গান গাই দ্বিতীয় অঙ্ক আৰম্ভ কৰাঁ।

পদু—প্ৰথম অঙ্ক আপুনি আৰম্ভ কৰিছিল, দ্বিতীয় অঙ্কতো সেয়ে হব লাগে।

অলি—( গীত গায় )—

গীত।

প্ৰেম-সাগৰত চলে উটি উটি প্ৰেমৰ নাও।
প্ৰেমৰ পাল ওফন্দায় প্ৰেম-ভৰা প্ৰেমৰ বাও॥
প্ৰেমৰ পানী চেটিয়াই,
প্ৰেম ঢোকা-ঢোকে খাই,
কাণে নাকে প্ৰেম সোমাই, কৰিছোঁ হে কাও-বাও॥

পদু—কিয়া বাত্, কিয়া বাত্। বাহাবা মজা ৰে মজা।
ধন্য তোমাৰ প্ৰেমৰ মূৰ্ত্তি, প্ৰেমৰ কানাই প্ৰেমৰ ৰজা॥
সংসাৰ স্বৰ্গ তুথনি ঠাই
কদাপি নহয় ভাই,
এয়ে স্বৰ্গ প্ৰেমৰ ৰাজ্য, পঞ্চ বাণেৰে সজা॥

অলি—তোমাৰ গানত পমি গলোঁ,

পদু——যেনে জোকটো চূণৰ পানীত।

অলি—তোমাৰ কথাত মুগ্ধ হলোঁ,
পদ্ম———যেনে পহুটো ব্যাধৰ বাঁহীত ।
অলি—তোমাৰ গাল কি সেন্দূৰী,
পদ্ম——— যেনে ৰংচং কোৱা-ভাতুৰী,
অলি—গোৰা প্ৰেম পশু-পক্ষী,
পদ্ম———হলি-বজাৰ হলি-গীত ॥

অলি—কি সুন্দৰ, কি অপেচৰীৰ ভঙ্গিমা! ধন্য তোমাৰ শিক্ষা, ধন্য তোমাৰ কলা-নৈপুণ্য! তোমাক কিয় অপেচৰী বুলিছোঁ জানা নে?

পদ্ম—নাচিব লাগে! ভাল আপুনি বজাওক, মই নাচোঁ। (অলিৰামে বাদ্য বজায়, পদ্মমীয়ে নাচে।)

অলি—তোমাৰ জয় হওক! কিন্তু এটা কথা সোধোঁ। তুমি পোনতে মোক প্ৰেমৰ বজা পাতি, শেষত দেখোন হলি-ৰজা পাতিলা।

পদ্ম—বেয়া নাপাব। আপোনাক হলি-বজা পাতিলোঁ হয়, কিন্তু লগে লগে ময়ো তো হলি-ৰাণী হলোঁ!

অলি—উত্তম। আজিলৈ ইমানতে। ৰাতি বহুত হল।

পদ্ম—আজি আমি খাবলৈকে পাহৰি গৈছিলোঁ। বলক, ভাত চাগৈ পানী যেন চেঁচা হল।

(দুইৰো প্ৰস্থান।)

# পঞ্চম অঙ্ক।

## ১ম দর্শন—অলিৰামৰ ঘৰ।

( মলাহী বহি বিয়া নামৰ জাতেৰে গায়। )

মলা—

হাতো পহুমী, ভৰিও পহুমী,
পহুমী সবাত্ কৈ বাক।
দিপ্ লিপ্ ছোৱালী, যেনে অপেচৰী,
দেউতাৰ আলাযৰ লাক॥

( কেৰপাইৰ প্ৰৱেশ। )

কেৰ—দেখোন বিয়া-নাম ধৰিলা ?

মলা—সঁচাকৈ কেৰপাই, মোৰ মনত বৰ ৰং লাগিছে। সদায় দেউতাৰ ঘৰখন জঙ্গলীয়া দেখি দেখি মনত বিৰকতি হৈছিল। এতিয়া হে ঘৰখন ফুলি পৰিছে।

কেৰ—এই বাৰ মোৰ মনেৰে আৰু বিধিৰ বিপাক নহয়। হেৰ মলাহী, তিনি বাৰে নিবাৰ বুলি শাস্ত্ৰত কৈছে, নহয় জানো ?

মলা—এৰা তো। পাছে এটা কথা অ'। ভাল মানুহৰ ঘৈণীয়ে যেনেকৈ ফুৰে, আমাৰ ন আইদেৱে দেখোন তেনেকৈ নুফুৰে। ওৰণী-বাৰণী নাই, যলৈকে ইচ্ছা তালৈকে যায়। আন কি, কৰবালৈ যাবলৈ দেউতাৰো অনুমতি নলয়। এইখন জানো ভাল কথা।

কেৰ—আমি নো ভাল-বেয়াৰ বিচাৰ কৰি কি কৰিম অ'। বৰ-লোকৰ বৰ কথা। আমি খাৰ-খোৱাই কি তাৰ উৱাদিহ পাম। আইদেৱে বোলে অতিপাত লেখা-পঢ়া জানে। দেউতাৰ সমানে সমানে হেনো কাপ চলাব পাৰে, ইংৰাজী বলকিব পাৰে।

মলা—ঔ আই! তিবোতা মানুহে ইংৰাজী কব পাৰে নে? কলিকাল সোমাল!

কেৰ—হেৰ, তই বৰ আজলী। তই ওপজেঁতেই দেখোন কলিকাল সোমাল। এতিয়া কলিৰ শেষ। কাটি মাৰি মেলেছক কৰিব "বোন্দামাৰ", নাজান নে কি?

মলা—কি শাস্ত্ৰখন গাইছ, মই দেখোন একো বুজা নাই।

কেৰ—কলিৰ শেষত ভগৱন্তই কল্কী অৱতাৰ হৈ মেলেছবোৰক কাটি মাৰি "বোন্দামাৰ", কৰিব।

মলা—"বোন্দামাৰ" কি?

কেৰ—পোৰা মাছ খালে বোন্দাক যেনেকৈ মাটিত মুখ ঠেকেচি মাৰে, সেই দৰে মাৰি পেলাব।

মলা—মনে মনে থাক, ডাঙ্গৰ মানুহৰ কথা নকবি। হেৰ কেৰপাই, ইংৰাজী-জনাবিলাক হে মেলেছ, সিহঁতক হে মাৰিব, আমাক কেনৈ মাৰিব, নহয় নে?

কেৰ—আমি হিন্দুস্থানী মানুহ, আমাক কেলৈ মাৰিব। হেৰৌ মলাহী, লোকে খনে খনে দলহ্-দপহ্ কৈ বিয়া পাতিছে। আমি তো সঁচা সঁচি বিয়া পাতিব নোৱাৰোঁ। মোৰ পেটৰ কথা মই জানোৱেই, মোৰ একত বাজে দুই নাই। তোৰো একত বাজে—তোৰ পেটত নো মই কেনেকৈ সোমাওঁ, মোৰ ভৈয়াই ঐ! ক-চোন, তোৰ বাৰু এক নে দুই।

মলা—জানো কি এক দুইখন গাইছ পাই, তই হে সেইবোৰ বাং-বিং কথা জান। বিয়া পাতিবৰ মন গৈছে, কোনে নো হাতত ধৰিছে।

কেৰ—নুবুজিলি, নুবুজিলি, মলাহী নুবুজিলি। দিঠিকৰ বিয়া নহয়, সমাজিকৰ বিয়া। ভেকুলী-বিয়া পাতিব খুজিছো অ'।

### গীত।

হেৰৌ মলাহী ঐ, আহ্চোন গাতোঁ ভেকুলী-বিয়া।
আমাৰ দৰে ৰাখে কোনে কাললই চিঁয়া॥
কুজুং-কুজুং জঁপিয়াওঁ,
টোৰোক্ টোৰোক্ টোৰ্টোৰাওঁ,
এনে নাচন বাজন কেন্নে দেখা-শুনা নাইকিয়া॥

মলা—ব'ল, এতিয়া বন-বাৰি কৰোঁ গৈ।

( দুইবো প্ৰস্থান। )

---

## ২য় দৰ্শন—অলিৰামৰ কোঠালি।

( অলিৰাম বহি আছে। )

অলি—দুখীয়াৰ দুখ কোনো কালে নুগুচে। কপালত যাৰ সুখ নাই, বলেৰে সি সুখ আনিব নোৱাৰে। "অমৃতত বিহ", মোৰ এয়ে হৈছে। পদুমী মোৰ উপযুক্ত সহধৰ্ম্মিনী। কিন্তু পদুমৰ নিমিত্তে অকল ভোমোৰাৰ হে হেঁপাহ, এনে নহয়। পখিলা, মৌ, বৰল, কোদো এইবিলাকেও পদুমক বিচাৰে। উচ্চ-শিক্ষিতা বুলি পদুমীক আনিলোঁ; কিন্তু তেওঁৰ স্বভাৱত কেন্দ্ৰ আছে যেন লাগে। মুকলি-মূৰীয়া হৈ সকলোৰে লগত ফুৰে—ফুৰক তাত হানি নাই। কিন্তু যিদৰে ফুৰিব লাগে, সেইদৰে নুফুৰে। কেতিয়াবা অকলে গৈ মোৰ বন্ধু-বান্ধৱৰ ঘৰত আলাপ কৰি থাকে গৈ; আন কি, ৰাতি বহু পৰলৈকে কথা পাতি থাকে। থাকক তাত হানি নাই; কিন্তু মোৰ অনুমতি নোলোৱাকৈয়ে যায়। মেম্‌বিলাকেও এইদৰে অবাধে ফুৰা-চকা কৰে সঁচা; কিন্তু তেওঁবিলাকৰ

14155 LIBRARY Accession

এইটো কৌটীকলীয়া দস্তৰ। তদুপৰি, তেওঁবিলাকে প্ৰায়েই লগত স্বামীৰে সৈতে ফুৰা-চকা কৰে। এতিয়া ৰাতি ১০ বাজিল, তথাপি পদুমী উলটি নাহিল। প্ৰায়েই হলিৰামৰ ঘৰত থিকিন্দালি শুনো; বোধ কৰোঁ তাতেই আছে গৈ। যাওঁচোন বাৰু।

( প্ৰস্থান। )

---

## ৩য় দৰ্শন—হলিৰামৰ কোঠালি।

( হলিৰাম, কলিৰাম, বলিৰাম ও পদুমী আলাপত নিমগ্ন। )

হলি—( পদুমীলৈ চাই ) আপুনি আমাৰ ঘৰত পদাৰ্পণ কৰা বাবে আমি যে কিমান সন্তোষ পাইছোঁ, সেই কথা স্বয়ং ব্ৰহ্মায়ো চাৰি মুখেৰে বৰ্ণাব নোৱাৰিব।

বলি—আপুনি মোৰ ঘৰলৈ যোৱা নাই, কিন্তু আপোনাৰে চিনাকি হোৱা বাবে তথাপি যি সন্তোষ পাইছোঁ, সেই কথা স্বয়ং পঞ্চানন হলেও পাঁচ মুখেৰে বৰ্ণনা কৰি শেষ কৰিব নোৱাৰিব।

কলি—আপুনি মোৰ ঘৰলৈ যোৱা নাই, তথাপি আপোনাৰে চিনাকি হোৱাত, যি আনন্দ লভিছোঁ, সেই আনন্দ স্বয়ং দশাননেও দহ মুখেৰে কৈ অন্ত কৰিব নোৱাৰিব।

পদু—আপোনালোকেৰে চিনাকি হোৱাত মই নিজে যিমান ৰং পাইছোঁ, সেই ৰং চাবলৈ ৰংপুৰত এটি দ্বিতীয় ৰং-ঘৰ সাজিব লাগিব।

( সকলোৱে বাহবা দিয়ে। )

হলি—আমাৰ অসমীয়া তিৰোতা-সমাজৰ কেনে দুৰ্দ্দশা চাওকচোন। আজি আপোনাৰ নিচিনাকৈ যদি সকলো ভদ্ৰ মহিলাই এইদৰে

অবাধে পুৰুষৰ সহযোগী হয়, তেনেহলে দেশৰ সৰ্ব্বাঙ্গীন উন্নতি ধ্রুব-নিশ্চিত।

বলি—আমাৰ তিৰোতাৰ অনেক কুসংস্কাৰ আছে, তাৰে এটি মদ্যপানত বিৰাগ। মদ্যপান বেয়া বুলি সকলোৱে কয়, কিন্তু কেইজনে ভাবি চায়, মদ্যপান নকৰা হলে, ইংৰাজবিলাক এনে উন্নত জাতি হব পাৰিলেহেঁতেন জানো।

কলি—সঁচা কথা, মদ্যপান নকৰা হলে তেওঁবিলাকৰ সৈন্যবিলাকে হাঁহি হাঁহি হেজাৰে হেজাৰে প্ৰাণ-বিসৰ্জ্জন দিবলৈ প্ৰস্তুত হব নোৱাৰিলেহেঁতেন।

পদ্ম—মোৰ সেইবিলাক কুসংস্কাৰ নাই। শক্তিৰ সাধনা নহলে শক্তি কেনেকৈ হব ?

( সকলোৱে চাপৰি বজায়। )

হলি—এতিয়া দুখীৰ দুখী অৱস্থাৰে যথা-যোগ্য আয়োজন কৰা হওক।

( সকলোৱে সজ সজ বোলে। )

হলি—বেহেৰা !

বেহেৰা—হজুৰ ! ( বেহেৰা উপস্থিত হয়। )

হলি—সোডা আউৰ ব্ৰাণ্ডি। জলদিসে।

( বেহেৰা ভিতৰলৈ গৈ চোডা ব্ৰাণ্ডি লৈ আহে। ভদ্ৰলোক কেইজনে নিজৰ নিজৰ গিলাচত বাকি লৈ পুনৰ নিজৰ নিজৰ গিলাচৰপৰা অলপ অলপ পদ্মীৰ গিলাচত দিয়ে। পদ্মী আৰু আন সকলোৱে মদ্যপান কৰে। এনেতে অলিৰামৰ প্ৰবেশ। সকলোৱে থিয় হয়। ভদ্ৰলোক কেইজনে অলিৰামৰ হাত জোকাৰে। )

অলি—( পদ্মীলৈ চাই ) মই তোমাক বিচাৰি ফুৰিছিলোঁ। তুমি যে ইয়াত আছা হি, সেই কথা মই জনা নাছিলো।

( বলিৰামে মনে মনে প্ৰস্থান কৰে। )

পদু—মই আপোনাৰ আচৰণ আৰু ভাষাৰ প্ৰতিবাদ কৰোঁ। আপুনি মোক অভিবাদন কৰা নাই। এনে সভ্য সমাজত আপুনি মোক 'তুমি' বুলি কথা কোৱা অনুচিত।

অলি—আচৰিত কথা! কাৰ অনুমতি লৈ ইয়ালৈ অহা হৈছিল?

পদু—মোৰ নিজৰ অনুমতি লৈ। মোৰ স্বাধীনতাত হাত দিয়া আপুনি কোন্? মই আপোনাৰ ওপৰত মান-হানিৰ মকৰ্দ্দমা কৰিব পাৰোঁ।

( কলিৰামৰ মনে মনে প্ৰস্থান। )

অলি—এতিয়া ঘৰলৈ যোৱা হব নে, নাই ইয়াতে থকা হব?

পদু—সেই বিষয় মোৰ ইচ্ছাধীন।

( অলিৰামৰ খঙেৰে প্ৰস্থান। )

হলি—( পদুমীলৈ চাই ) এতিয়া মই আপোনাক আপোনাৰ ঘৰলৈ যাবলৈ অনুৰোধ কৰিব পাৰোঁ নে?

পদু—আপোনাৰ নিচিনা বন্ধুৰ অনুৰোধ মই অৱশ্যে প্ৰতিপালন কৰিম। ( পদুমীয়ে হলিৰামৰ হাত জোকাৰে ) নাপাহৰিব।

হলি—নিশ্চয়, নিশ্চয়, নিশ্চয়।

( পদুমীৰ প্ৰস্থান। )

হলি—এই ঘটনাৰ শেষ ফল কি হব গৈ, বুজিব পৰা নাই। ঘটনাটো সপোনৰ নিচিনা লাগিছে। একো মোৰকে ধৰিব পৰা নাই। এনে স্থলত কি কৰিব লাগে! বিপদত মদ্যপানেই প্ৰধান সহায়। ( অতিৰিক্ত মদ্যপান কৰি ঠোটাঠুটি মাতেৰে ) এতিয়া মোৰ ধৰিব পাৰিছো। তিৰোতাৰ উচ্চ-শিক্ষা, তিৰোতাৰ স্বাধীনতা, ভাৰত-উদ্ধাৰ বৈকুণ্ঠ-প্ৰয়াণ, অনন্ত-শয্যা! ( বেহুচ হৈ মাটিত পৰে। )

( পট-ক্ষেপণ। )

---

# ষষ্ঠ অঙ্ক।

## ১ম দৰ্শন—কেৰপাইৰ পঁজা।

(কেৰপাই ও মলাহীৰ প্ৰবেশ।)

কেৰ—কথা বিসঙ্গতি!

মলা—এৰা, ভাল ভাল বোলোতে ন আইদেও দেখোন ভলিল!

কেৰ—আন দিনা দেখোন নাচে-গানে ঘৰ উৰোঁ উৰোঁ কৰে! কালিৰে-পৰা পাই ঘৰথন চেঁচা হল। কথাবোৰ নো কি হৈছে অ'?

মলা—কথাটো গুৰিতে কি, এৰো ততকে ধৰিব পৰা নাই। কিন্তু কালি ৰাতি আহি দুয়ো দুটা বেলেগ কোঠালিত শুলে হি। ৰাতি কাৰো ভাত এমুঠিও পেটত নপৰিল। দুয়ো নামৰ মুখেৰেই পৰি থাকিল।

কেৰ—কথাতে কয় বোলে, "এক তিৰী লুহুৰ-পুহুৰ, দুই তিৰী গাঁতৰ এন্দুৰ, তিনি তিৰী গালত হাত, চাৰি তিৰী নাপায় ভাত।"

মলা—হেৰ, কটা-যোৱা, এতিয়া চাৰি তিৰী নহয়, তিনি তিৰীহে, তেও দেখোন ভাত নোপোৱা হল।

কেৰ—আৰু এক তিৰী হবলৈ আছে নে কি? সেই ফালে আৰু পৰালি পৰিল। সেই দেখি তিনি তিৰী আৰু চাৰি তিৰী একেটা হল অ'।

মলা—বৰলোকৰ কথা সদায় বৰ। তুমি আমি তাৰ কি তত্ পাম।

কেৰ—আমি এক তিৰীৰে কোনো মতে দুখীৰ দুখী অৱস্থাৰে গৃহস্থালি কৰা হৈছে। দুই, তিনি তিৰী আনি খোৱা-কামোৰা কৰিবলৈ আমাৰ সিমান ধন ক'ত আছে।

মলা—ধন থকা হলে তয়ো আৰু এজনী আনিলিহেঁতেন নে কি?

কেৰ—( কাওবাও কৰি ) হেৰ মলাহী, কথাৰ মাত হে কৈছোঁ। থং খালি নে কি ?

মলা—থং থাম কেলৈ। তই ধেমালি কৰিছ, ময়ো ধেমালি কৰিছোঁ। তেও সচা কথা কলে বেয়া নাপাবি। তোৰ আৰু এজনী আনিবৰ অলপ ভাব থাকিল হব পায়। কেৰপাই, এটা কাম কৰ। মোকে তই আজিৰপৰা আন এজনী বুলি ভাবিল।

কেৰ—তই আকৌ তয়েই। তোক নো আকৌ বেলেগ এজনী বুলি ভাবিম কেনেকৈ ?

মলা—অ'কৰা, মই কওঁ শুন। তোৰ আগত মই আজিৰপৰা ওৰণি লম। তোৰে সৈতে 'তুমি' বুলি কথা পাতিম। আৰু কি কৰিম জানিছ নে ? এদিন মাত-বোল কৰিলে দুদিন মাত-বোল নকৰাকৈ থাকিম। তেতিয়া হলে বেলেগ এজনী বুলি নাভাবিবি নে ?

কেৰ—তোক মই কথাৰে নোৱাৰোঁ, মলাহী! তই বৰলোকৰ লগত থাকি বহুত কথা শিকিলি, নহয় নে ? এৰা, কথাতে কয়, "গায়নৰ ঘৰৰ কুকুৰেও ৰাগ দিয়ে।"

মলা—'কুকুৰ' হে বুলিছে, 'কুকুৰণী' বোলা নাই নহয়।

কেৰ—আইৰে আই, এইজনী দেখোন কোবত কোবে চৰি হে গৈছে। এইদৰে হলে তোৰে মোৰে ভিতৰত বৰলোকালি হব গৈ যেন পাইছোঁ অ'।

মলা—বাৰু সেইবোৰ থৈ দে। এতিয়া আইদেও আৰু দেউতাৰ কেনেকৈ মিল হয়, তাকে চাব লাগে।

কেৰ—আমি নো কেনেকৈ মিলাব পাৰিম। তই দেখোন বুদ্ধিৰ ফোঁপ-চুঙ্গা। তোৰ কিবা বুদ্ধি আছে নে কি ?

মলা—ওঁ, এটা পাইছোঁ। ৰাতি দেউতাৰ যেতিয়া টোপনি আহিব,

তেতিয়া আমি দুয়ো পালেংখন দাঙ্গি ধৰি আইদেওৰ দাঁতিতে থৈ দিলে কেনে ? চাকিটোও তাতে জ্বলাই থৈ আমি সুৰুকা মাৰিম। দেউতাই শাৰ পাই আইদেওক দেখি খং-ৰাগ পাহৰি পেলাব।

কেৰ—মলাহী, তোৰ বুদ্ধিটো ঢেকীথুৰীয়া অ'। শাৰ পাই দেউতাই আইদেওক যদি একে কীলতে থয় !

মলা—কব নোৱাৰি। খং নামে চণ্ডাল। বাৰু বল, আমি দুয়ো তেওঁ-বিলাকৰ ওচৰলৈ যাওঁ। লাহে লাহে ভাব-গতি চাই-চিন্তি খং পাতলাবলৈ চাব লাগে।

কেৰ—বল যাওঁ। মোৰ মনটো পাই বৰ গোমোঠা যেন লাগিছে। তেওঁবিলাকৰ কপালত বা কি আছে, আমাৰ কপালত বা কি আছে !

( দুইয়ো প্ৰস্থান। )

---

## ২য় দৰ্শন—অলিৰামৰ কোঠালি।

( অলিৰাম অকলে বহি আছে। )

অলি—মোৰ জীৱন মৰুভূমিতুল্য হল। খন্তেকতে আকাশৰপৰা পাতাললৈ খহি পৰিলোঁ। ভাবিছিলোঁ; এই বেলি মোৰ জীৱন নন্দনকানন হল। এতিয়া মোৰ ভবিষ্যৎ এন্ধাৰ দেখিছোঁ। মোৰ প্ৰেম-মন্দাকিনী ক্ৰমশঃ শুকাই গৈছে। ভোগৰ স্পৃহা পূৰ্ণ নহল। যদি ফলৱতী নহয়েই, তেনেহলে এনে স্পৃহা কিয় হৃদয়ত স্থাপিত হল। আকাঙ্ক্ষাৰ উত্তাপত হৃদয় দগ্ধ হৈছে। একেবাৰেই পানী ঢেটিয়াই তাক নিৰ্ব্বাপিত কৰাই ভাল। কিন্তু মোৰ হৃদয়ৰ অন্তঃস্থলে সেই কথা মানিব নোখোজে ! তেন্তে, আশাৰ আৰু বাট আছে নে

কি ? তিনি বাৰ বিবাহ হল—অল্প-শিক্ষিতা, অশিক্ষিতা, উচ্চ-শিক্ষিতা—সকলো শ্ৰেণীৰ কন্যা আনিলোঁ। মোৰ কপালত সকলোৰে-পৰা বিষ-উদ্গীৰণ হল। ময়েই বেয়া নে, তিৰোতা জাতিয়েই বেয়া ? এই প্ৰশ্নৰ সমস্যা কোনে কৰিব ? পুৰুষ আৰু তিৰোতাৰ কিয় মিল হব নোৱাৰে ? দুইৰো মিল নহলেও নহয়, মিল হবৰো উপায় নাই। ঈশ্বৰে সংসাৰ এইদৰেই সৃজন কৰিছে নে কি ? পুৰুষ আৰু তিৰোতাৰ সম্পৰ্ক নহলে সংসাৰ ধ্বংস পাব। অথচ, পুৰুষ আৰু তিৰোতাৰ ভাব সদায় বিপৰীত-মুখীয়া। কোনো কোনো পণ্ডিতে কয়, অতীজতে পুৰুষ আৰু তিৰোতা এটা সংলগ্ন জীৱ আছিল। দুয়োৰো মুখ বিপৰীত ফালে আছিল। ঈশ্বৰে সোঁমাজে দি গিয়ৈক ফালি পেলালে ; এফাল পুৰুষ হল আৰু আন ফাল তিৰোতা হল। তেতিয়াৰপৰা দুয়ো সদায় মিলিবলৈ চেষ্টা কৰে, কিন্তু মিলিব নোৱাৰে। যদি এয়ে হয়, তেনেহলে ঈশ্বৰে এনে সংসাৰ পাতি, পুৰুষ আৰু তিৰোতাৰ ভীষণ যুদ্ধ নিৰীক্ষণ কৰি ৰং চোৱা বিষয়টি ঈশ্বৰৰ লীলাৰ ভিতৰত পেলাবলৈ ভাল নালাগে। সংসাৰ থাকে মানে পুৰুষৰ ব্যাকুলতা আৰু তিৰোতাৰ ছটফটনি ঈশ্বৰে চাই থাকিব খোজে, এই ভাব মনত পোষণ কৰিব নোৱাৰি। এক, দুই, তিনি ঘৈণীৰে যদি মোৰ সংসাৰ নহল, তেনেহলে বোধ কৰোঁ, মোৰ গাতে হে দোষ। কিন্তু মোৰ কি দোষ, মই তো দেখা নাই। হৃদয়ত মোৰ প্ৰেমৰ বাসনা জ্বলিছে। এই বাসনা মই জ্বলোৱা নাই—ঈশ্বৰে জ্বলাইছে। বাসনা পূৰ্ণ হবলৈ তেন্তে উপযুক্ত সহধৰ্ম্মিনী কিয় নাই ? সংসাৰত প্ৰেম নাই নে কি ? প্ৰেম ক'ত পোৱা যায় ? কলৈ গলে মোৰ এই প্ৰেমৰ ক্ষুধা নিবৃত্ত হব ? কোনে উত্তৰ দিব ? ( অলপ ৰৈ ) এটি গানৰ ৰাগিণীৰ সূক্ষ্ম তৰঙ্গ আহি

কাণত যেন অমৃত ঢালিছে। কোনে গাইছে? পদুমীয়ে গাইছে নে কি? পদুমীৰ মন যদি এনে অমৃতময় প্ৰেম-ৰাগিণীৰ দ্বাৰা গঠিত, তেনেহলে তেওঁ মোৰ বাসনা পূৰ্ণ কৰিব নোৱাৰে কিয়? নহয়, এই গান পদুমীৰ হব নোৱাৰে। নিশ্চয় নোৱাৰে। ( অলপ পৰ বৈ ) ঠিক, ঠিক, ই এটি ধৰ্ম্ম-সঙ্গীত। যাওঁচোন চবালৈ, গানটো ভালকৈ শুনিবৰ ইচ্ছা হৈছে।

( প্ৰস্থান। )

---

## ৩য় দৰ্শন—বেদকণ্ঠৰ ঘৰ।

( বেদকণ্ঠ বহি আছে। অলিৰামৰ প্ৰবেশ। )

অলি—আপুনি যি ভাবিছিল বা ভবা উচিত আছিল, সেয়ে ঘটি উঠিল। অৱশ্যে বুজিব পাৰিছে।

বেদ—বুজিছোঁ। সংসাৰ অসাৰ। বোপা, ইয়াত সাৰ বিচাৰি কেনেকৈ পাবা।

অলি—মোৰ কোঠালিটোত বহি ভাবি থাকোঁতে কৰবাৰপৰা এটি ধৰ্ম্ম-সঙ্গীতৰ সোঁত বৈ কাণত যেন অমৃত হে ঢালিলে। কোনে গাইছে চাবলৈ আহি কাকো দেখা নাপালোঁ; আৰু কাৰো মাতো শুনিবলৈ নাপালোঁ। গায়কক বিচাৰি আহি আহি আপোনাৰ গুৰি পালোঁ হি।

বেদ—বোপা; তোমাৰ কাহিনী সকলো মই আগৈয়ে শুনিছোঁ। হব-লগীয়া হল, এতিয়া অনুশোচনাৰ প্ৰয়োজন নাই। মঙ্গলময় ঈশ্বৰৰ ৰাজ্যত অমঙ্গলৰ ঠাই নাই। দৃশ্যমান অমঙ্গলৰপৰা তোমাৰ পৰম মঙ্গল লাভ হব পাৰে। ধৰ্ম্ম-সঙ্গীত তুমি আগৈয়েও বহুত শুনিছা,

কিন্তু সেইবিলাকত তোমাৰ মন বিচলিত হোৱা নাছিল। আজি নো কিয় বিচলিত হল? আৰু গায়কক নো বিচাৰি নাপালা কিয়? জানো বা সেয়েই আকাশী বাণী!

অলি—দেউ! আপোনাক শত সহস্ৰ সেৱা জনাইছোঁ। কৃপা কৰি কওকচোন, অনন্ত জ্যোতিৰ পোহৰ বিণিকি ৰিণিকি দেখিছোঁ নে কি?

বেদ—বোপা, ঈশ্বৰৰ কৃপা হলে দেখিব পাৰাঁ। কাইলৈ তোমাৰ ঘৰতে শাস্ত্ৰ-পাঠ হওক। ধৰ্ম্মালোচনা কৰি চৰ্ম্ম-চকুৰ আবৰণ গুচাবলৈ যত্ন কৰিব লাগে

অলি—অতি সজ কথা। দেউ, আপুনিয়েই গীতা-পাঠ কৰিব। তাৰ লগতে ঘোষা, বৰগীত, ধৰাগী-গীত, দেহ-বিচাৰ গীত ইত্যাদিৰো যো-যা কৰিব। ভক্তজনক নিমন্ত্ৰণ কৰিবৰ নিমিত্তে আপোনাৰ ওপৰতে ভাৰ থাকিল। মোৰ মনৰ ডাৱৰ ক্ৰমশঃ আঁতৰিছে যেন পাইছোঁ। গা আৰু মন দুইটা অলপ পাতল পাইছোঁ।

বেদ—জয় হৰি বোলা, জয় ৰাম বোলা।

( জাত লগাই গায় )

এ প্ৰাণ হৰি গৈলা এৰি॥
পতি পুত্ৰ এৰি ভৈলোঁ চেড়ী।
( এ প্ৰাণ হৰি গৈলা এৰি। )
কোন সতে প্ৰভু গৈলা এৰি॥
( এ প্ৰাণ হৰি গৈলা এৰি। )

অলি—মোৰ মন উদাস হৈছে, হৃদয় বাউল হৈছে। দেউ, এতিয়া বিদায় মাগিছোঁ। আলচা মতেই সকলো যেন হয়।

বেদ—চিন্তা নাই। ময়ো এতিয়াই ওলালোঁ। ( উভয়ৰ প্ৰস্থান। )

—

# সপ্তম অঙ্ক।

## ১ম দর্শন—অলিৰামৰ চোতালত ৰভা।

( ধৰ্ম্ম-সভাৰ অধিবেশন। বেদকণ্ঠ পুৰোহিতৰ গীতা-পাঠ। )

বেদ— সত্ত্বং ৰজস্তম ইতিগুণাঃ প্ৰকৃতিসম্ভবাঃ।
নিবধ্নন্তি মহাবাহো দেহে দেহিনমব্যয়ম ॥

( হে মহাবাহো! সত্ত্ব, ৰজ, তম এই তিনিটি প্ৰকৃতিজাত গুণ শৰীৰৰ ভিতৰত অব্যয় দেহীক আশ্ৰয় কৰি আছে। )

তত্ৰ সত্ত্বং নিৰ্ম্মলত্বাৎ প্ৰকাশকমনাময়ং।
সুখসঙ্গেন বধ্নাতি জ্ঞানসঙ্গেন চানঘ ॥

( হে অনঘ, তাৰ ভিতৰত সত্ত্ব গুণ নিৰ্ম্মল হেতুকে উজ্জ্বল আৰু নিৰুপদ্ৰব। সেই কাৰণে সি দেহীক সুখ আৰু জ্ঞানেৰে সম্মিলিত কৰে। )

ৰজো ৰাগাত্মকং বিদ্ধি তৃষ্ণাসঙ্গসমুদ্ভবং।
তন্নিবধ্নাতি কৌন্তেয় কৰ্ম্মসঙ্গেন দেহিনম্ ॥

( হে কৌন্তেয়। ৰজোগুণ অনুৰাগাত্মক আৰু তৃষ্ণাসঙ্গৰপৰা উৎপন্ন। সি দেহীক কৰ্ম্মত আবদ্ধ কৰি থয়। )

তমস্তু জ্ঞানজং বিদ্ধি মোহনং সৰ্ব্বদেহিনাং।
প্ৰমাদালস্যনিদ্ৰাভিস্তন্নিবধ্নাতি ভাৰত ॥

( হে ভাৰত! তম গুণ অজ্ঞানজাত ও সকলো দেহীৰ মোহজনক। সি জীবক প্ৰমাদ, আলস্য ও নিদ্ৰাৰ দ্বাৰা অভিভূত কৰে। )

14155

( কলীয়া ভাগতীৰ ঘোষা-পাঠ। )

কলি—

দুর্লভ মনুষ্য জন্ম　লভিয়া পশুৰ যোগ্য
বিষয়ৰ আশা পৰিহৰা।
সন্তৰ সঙ্গত বসি,　সুখে হৰি গুণ গায়া,
সন্তোষে অমৃত পান কৰা॥

বিষয় সম্বন্ধ সুখ　সমস্ত যোনিত পায়,
হৰি সেৱা একো স্থানে নাই।
হৰিৰ সেৱাৰ যোগ্য　কেৱল মনুষ্য তনু,
জানি ফুৰা হৰি গুণ গাই॥

লভিয়া মনুষ্য তনু,　যি সব পণ্ডিত নৰে
ন সাধিলে গতি আপোনাৰ।
কোটী জনমক লাগি,　সংসাৰ সাগৰে মজি,
ফুৰিবেক ভুঞ্জিয়া নিকাৰ॥

ঐশ্বৰ্য্য ভোগৰ মদে　মত্ত হৈয়া ঈশ্বৰত,
পৰাঙ্মুখ ভৈলা যিটো জন।
যেন জীৰ্ণ গাই অতি　দুৰ্ঘোৰ সংসাৰ মহা-
পঙ্কে পৰি হোৱয় মগন॥

হে কৃষ্ণ স্বামী,　তযু পাৱে আমি,
কেৱল শৰণ চাওঁ।
কৰা অনুগ্ৰহ,　মায়াৰ নিগ্ৰহ
তেবে সে প্ৰভু এৰাওঁ॥

( বুঢ় ওজাই পালি সহ দুৰ্গাবৰী গীত গায় )

বুঢ়— অকাৰ্য্য কৰিলি ভাই—
নিচিন্তিলি তোৰ ভাল।
দান্ত কড়মড় কৰি আসে ঘোৰ কাল॥
বিলম্ব নকৰি তই চিন্ত নিজ হিত।
নিকাৰ ভুঞ্জিবি নতু আতি বিপৰীত॥
যমৰ কিঙ্কৰে ধৰি দিবেক যন্ত্ৰণা।
কৈত ৰৈব পুত্ৰ ভাৰ্য্যা বুলিবে সান্ত্বনা।।
বিষয় জঞ্জালে পৰি মিছাতে নমৰ।
আন কাম তেজি ভাই হৰিক স্মৰ।।

( মুকুন্দ নাম-লগোৱাই বৰ গীত গায় )

মুকু— পায়ে পৰি হৰি, কৰোঁহো কাতৰি,
প্ৰাণ ৰাখবি মোৰ।
বিষয় বিষধৰ, বিষে জৰ জৰ,
জীৱন নাৰহে থোৰ॥
অথিৰ ধন জন, জীৱন যৌৱন,
অথিৰ এহি সংসাৰ।
পুত্ৰ পৰিবাৰ সবহি অসাৰ,
কৰবো কাহেৰি সাৰ॥
কমলদল জল, চিত্ত চঞ্চল,
থিৰ নোহে তিল এক।
নাহি ভয়ো ভব ভোগে হৰি হৰি
পৰম্পদ পৰতেক॥
কহতু শঙ্কৰ, এ দুখ সাগৰ
পাৰ কৰু হৃষীকেশ।
তুহুঁ গতি মতি, দেহ শ্ৰীপতি,
তত্ত্বপন্থ উপদেশ॥

( বিকা ওজাই খঞ্জৰি বজাই দেহ-বিচাৰৰ গীত গায় )

বিকা—

হে ভাবসা নাই ৰে সুন্দৰ শৰীৰ দেহা কোন দিনে যায়ো ৰে ॥
সুকাঠী কাঠৰে নৌকা, হৰি হে মোৰ বিন্ধিলেক ঘুণে ।
নব নৌকা বুৰিলে উঠে কোন দিনে ॥
ভবনদী পাৰ হৈয়া হৰি হে মোৰ জীবে আছে চাই ।
দেখা দেখা বন্ধু সব ভেলৰ বিলাই ॥
আগে নাইকা কাণ্ডাৰি হৰি হে মোৰ মধ্যে নাইকা চৰি ।
গোৰত কাণ্ডাৰি নাই নৌকা ফুৰে ঘূৰি ॥
কাক ভৈলা কাণ্ডাৰি মোৰ হৰি হে মোৰ শগুন মহাদানী ।
শৃগালে দোকান দেই মাংস টানাটানি ॥
গুৰিয়া পিপৰা যেন, হৰি হে মোৰ খানি তোলে মাটি ।
জোৰাই জোৰাই থহি পৰে শৰীৰৰ গাঁথি ॥
কহয় মাধৱ দাসে হৰি হে মোৰ এই বাৰে বাৰ ।
আৰু কি ভাবসা কৰা মনুষ্য হৈবাৰ ॥

( মধু বৈৰাগীয়ে বীণ বজাই বৈৰাগী গীত গায় )

মধু—

ধনকে কৰিছোঁ আশা　　ধন ৰৈব পৰি ।
ভাৰ্য্যাকে কৰিছোঁ আশা　　ভাৰ্য্যা যাইব মৰি ॥
পুত্ৰ নাতি কোনো জনে　　উলটি নাচাব ।
অনন্ত সাগৰে টানি　　উটুৱাই দিব ॥
শুশ্ৰূষা কৰিব কেহো　　লগতে নলবে ।
পাপৰ বোজাটি লৈয়া　　যাইবো অকলশৰে ॥
কালফুৰা সফুৰাই　　দাঙ্গৰে মাৰিব ।
সিবেলা আশ্ৰয়দান　　কোনে মোকে দিব ॥
থাকোঁতে থাকোঁতে আয়ু,　　চিন্তা নিজ হিত ।
হৰি হৰি বোলা তুমি　　কৰি শুদ্ধ চিত ॥

( ভোলা বাবাজীয়ে ফকিৰী গান গায় )

ভোলা— প্ৰেম প্ৰেম কৰতে হুঁ তুম, প্ৰেম বহ দূৰ।
সাচ্চা প্ৰেম দেনেকো দুনিয়াকা নাহি মঞ্জুৰ॥
ঝুঠা প্ৰেম জগত ভুলারে, ঝুঠা লেকে হাসে ৰোরে,
জগন্নাকু প্ৰেম কোই না দেখে, কোই না দেখে প্ৰেমপুৰ॥

অলি—বাবা, আপ্ কাহা ৰহনেওৱালা।

ভোলা—কাশীধাম্‌মে ৰহ্‌তেহুঁ। ওহি ত প্ৰেমপুৰ হ্যায়।

অলি—লৌটেঙ্গে কব?

ভোলা—আজ ৰাত্‌মে। হামাৰা যানে কো কিয়া মুস্কিল। আপলোকক মাফিক ধন-দৌলত আওৰগ্ন নাহি হ্যায়। হামাৰা পুত্ৰ পৰিজন এহি চেলা, ধন-দৌলত এহি কমণ্ডলু আওৰ ত্ৰিশূল।

( আকৌ গান গায় )

কাহে তুম্ পোৰেষাণ হো কাহে পেৰেষাণ।
দুনিয়ামে প্ৰেম নাহি মিলে, দুনিয়া পাষাণ॥
ৰাও তুম্ অমৰাপুৰী, ধনদৌলত বিলকুল ছোড়ি;
ভগবানকো ভকত হোকে কৰ অমৃতপান॥
প্ৰেমকা অমৃত পিয়েগা, ফেৰ নাহি তুম লোটেগা,
এসা আনন্দ কাহা মিলে, বিনা ওহি আশমান॥

অলি—আজি সভাভঙ্গ হওক।

( ফকিৰত বাজে আন সকলোকে বিদায় দিয়ে। )

( ফকিৰলৈ চাই ) বাবা, আপকো হাম সাম্‌মে বিদায় দেঙ্গে। মৰ্জ্জি কেৰকে জৰুৰ আনা।

ভোলা—হুজুৰকা যেইসা হুকুম।

( সকলোৰে প্ৰস্থান। )

অলি—ভুনিয়া মিছা। আজি গধূলিয়েই বাবাৰ লগত কাশীধামলৈ যাত্ৰা কৰিম। কেৰপাই!

কেৰ—( ভিতৰৰ পৰা ) দেউতা।

( কেৰপাইৰ প্ৰবেশ। )

অলি—আসনবিলাক ভিতৰলৈ লৈ যা। শুনচোন, এটা ভিতৰুৱাল কথা কওঁ। মই আজি গধূলি ফকিৰৰ লগত কাশীধামলৈ যাত্ৰা কৰিম। তই কথাটো কাৰো আগত নুলিয়াবি। তই সৰুৰেপৰা আমাৰ ঘৰতে আছ। মই তোক পেটে সমন্বিতে ভাল পাওঁ। সেই বাবে তোক ছোৱালী এজনীও আনি দিলোঁ। মই যাতে মৰিলোঁ বুলি নাভাব, সেই বাবে তোক কলোঁ। ( কেৰপায়ে হুঁক-হুঁক-কৰে কান্দিবলৈ ধৰে। )

কেৰ—দেউতা, আপুনি গলে মই শ্মশান-শালিত অকলে কেনেকৈ থাকিম। মোকো লগতে লৈ যাব, কাবৌটি কৰিছোঁ, নেৰিব দেউতা। আৰু মই নগলে আপোনাৰ অনেক অসুবিধা হব পাৰে।

অলি—হেৰ, তই জানো মলাহীক এৰি যাব পাৰিবি?

কেৰ—আপুনি তিনি গৰাকি অপেচৰীক এৰি থৈ যাব পাৰে, মই এজনী ফাপঁৰে-খাঁতীক এৰি যাব নোৱাৰিম নে?

অলি—তেনেহলে তয়ো ওলাবি। আমি ঘৰৰপৰা ওলায়েই নৈ পাৰ হৈ যাম গৈ। পাৰ হৈ ফকিৰৰ বেশ ধৰিম। ৰাতিটোৰ ভিতৰতে কোনোবা ধুমুনি পাম গৈ। কাৰ সাধ্য, আমাক বিচাৰি পায়। পাছে, তই মলাহীৰ আগতো এই কথা নকবি দেই। নৈ পাৰ হবলৈ দিহা-পোহা কৰি থম। ফকিৰ আহিলেই তেওঁক আৰু তেওঁৰ চেলাক আগ ধৰি পঠাই দিম। আমি গৈ সিপাৰে লগ ধৰিম গৈ। তই এতিয়া যা। খবদাৰ, কাৰো আগত শুং-সূত্ৰকে নুলিয়াবি।

কেৰ—এনে কথা কয় নে। দেউতাৰ আজ্ঞা বেদৰ বাণী।

(কেৰপাইৰ প্ৰস্থান।)

অলি—ময়ো যাওঁ, অলপ জিৰণি লওঁ গৈ। আজি ওৰে ৰাতি টোপনি খতি হব।

(প্ৰস্থান।)

---

## ২ দর্শন—কেৰপাইৰ পঁজা।

(কেৰপাই ও মলাহী বহি আছে।)

কেৰ—মলাহী, তোক এটা ভিতৰ-বিশ্বাসী কথা কওঁ, তই কাৰো আগত নুলিয়াবি। উলিয়ালে দেউতাই তোক যে কাটিব, তোৰ পেটৰ পোৰালি চিৰি চিৰি কাটিব।

মলা—ঔ আই, তই হাক দিলেই মই নুলিয়াওঁ, দেউতাই হাক দিলে আৰু ঠাই আছে নে? পূবৰ বেলি পছিমে ওলালেও মোৰপৰা সেই কথা নহয়। কচোন, কিনো কথাটো।

কেৰ—আজি ৰাতি দেউতাই ঘৰ-বাৰী এৰি কাশীলৈ যাব গৈ।

মলা—আইদেওকো লগত নিব নে কি?

কেৰ—তয়ো বলিয়া। ন আইদেওৰ অথতিত যাবলৈ ওলাইছে। সংসাৰত বিৰকতি জন্মিল।

মলা—পাছে, আমাৰ দশা কি হব? হেৰ, তয়ো মোক এৰি যাবি নে কি?

কেৰ—এনে অমঙ্গলীয়া কথা ক নে? তোৰে মোৰে একেটা কায়া। আইদেওহঁত থাকিবই, বুঢ়া দেউতা আছেই, আমাৰ নো কিহৰ ভয়। দেউতায়ো ভাবুকি হে দেখুৱাইছে হব পায়। কেইদিন-মানৰ মূৰত আকৌ উলটি আহিব গৈ।

মলা—তই কথাবোৰ কৈছ হয়, মোৰ হলে মনটো কেনেবা লাগিছে পাই। তয়ো কি জানি যাবি হে হবলা !

কেৰ—তই সৰবজানৰ মোমায়েক নে কি অ' ?

মলা—হেৰ, মাইকী মানুহ মোমায়েক হব পাৰে নে ?

কেৰ—অ' হয় তো। মায়েক, মায়েক। তোৰ মূৰকে খাবলৈ, মই নাযাওঁ।

মলা—( ৰং পাই ) কেৰপাই, তই নহলে, তোৰ নিচিনা ফেঁচামূৰা মুখখন ক'ত দেখিবলৈ পাম ?

কেৰ—ময়ো মানুহ বিচাৰিলে এজনী পাম। পাছে, তোৰ নিচিনা গেদ্‌গেদী এজনী পোৱা টান অ'।

মলা—ওঁ তো, মোৰ নিচিনা ক'ত পাবি।

কেৰ—বাৰু, এতিয়া দেউতাৰ ওচৰলৈকে যাওঁচোন, কি কৰিছে চাওঁ গৈ।

( কেৰপাইৰ প্ৰস্থান। )

মলা—কেৰপায়ে হেজাৰ শপথ খাওক, মোৰ বিশ্বাস হোৱা নাই। সি দেউতাক এৰিব নোৱাৰে। এটা বুদ্ধি কৰিব লাগিল। কথাটো আজি তিনিও গৰাকি আইদেওক কৈ দিওঁ গৈ। মোৰপৰা শুনিছে বুলি কবলৈ হাক দিম। তেওঁবিলাকে দেউতাক নাৰাখিলে, মোৰ ভৈয়াই কেৰপাই হাততে হেৰাব! ( চকুলো টোকে। ) যাওঁ, বেগতে কওঁ গৈ, নহলে পাছত কোৱা নোকোৱা সমান হব।

( প্ৰস্থান। )

—

## ৩য় দৰ্শন—পদুমিৰ কোঠালি।

( পদুমী, ৰংদৈ, আৰু ফুলেশ্বৰীৰ আলোচনা। )

পদু—মলাহীৰ মুখে সকলো কথা শুনিছেই। আমাৰ নিজৰ ভিতৰত যি কুষাৰি আছে, সেইবিলাক পাহৰি পেলাওক। উপস্থিত সমূহ বিপদত একে জোটে কাৰ্য্য কৰিব লাগে। বৰ্ত্তমান স্বামীক যাবলৈ নিদি ৰাখিব লাগে। আৱশ্যক হলে বল-প্ৰয়োগ কৰিব লাগে। অগ্নি-সাক্ষী কৰি আমাক বিয়া কৰিছে যেতিয়া আমাক অনাথিনী কৰি এৰি থৈ যাব নোৱাৰে। স্বামী থাকিলে এটা শোভা হয়। তেওঁৰ বলতে বল পাওঁ, আৰু সেই বল লৈ আমি তেওঁৰে সৈতে কাজিয়া কৰোঁ। আপোনাসকলৰ নো মতামত কি?

ফুলে—তোমাতকৈ আমি শিক্ষিতা নহওঁ। তুমি উত্তম কথা কৈছা। তেওঁক যেনে তেনে প্ৰকাৰে ধৰি ৰাখিব লাগিব। মোৰ মনেৰে আগৈয়ে হাই-উৰুমি কৰিব নালাগে। ফকিৰ গধূলিকৈ আহিব। আমি চোৰাংকৈ চাই থাকিম। অহা মাত্ৰকে আমি কেও গৰাকি গৈ আগুৰি ধৰিম গৈ। হঠাৎ আমাক এনে অৱস্থাত দেখি স্বামীয়েও কোঁচ থাব, ফকিৰো পলাই যাব।

ৰংদৈ—ভাল কথা। আমি চহা মানুহ, বুদ্ধি পৰামৰ্শ কি দিম। গিৰিহঁত নহলে আমাৰ জীৱনতেই কাম নাই। তেওঁক যাবলৈ দিব নোৱাৰোঁ। জীৱন্ততে বাঁৰী হম নে?

পদু—এৰা, সন্ধিয়াৰ আগতে আমি জুপি থাকিম। ঠিক যাবলৈ ওলাওঁতেই ধৰিম গৈ। যেয়ে যেনেকৈ পাৰোঁ, সেইদৰে বুজাম। নোৱাৰিলে বলেৰে ধৰি ৰাখিম। বলা, এতিয়া যাওঁ।

[ তিনিৰো প্ৰস্থান। ]

## ৪র্থ দর্শন—অলিৰামৰ চোতাল।

( ভোলানাথ ফকিৰ আৰু চেলাৰ প্ৰবেশ। আনফালৰপৰা অলিৰামৰ প্ৰবেশ। পাছে পাছে কেৰপাই আহে।)

অলি—( ভোলানাথক নমস্কাৰ কৰি ) হাম্ তিয়াৰ হ্যায়, হামভি সাথ যায়েঙ্গে।

ভোলা—মায়া ছূট গিয়া ?

অলি—আপকা মৰ্জ্জিসে। হামাৰা সাথ নকৰ্ ভি যানে মাংতা।

ভোলা—ওহ্ ত আচ্ছাই হ্যায়।

( পদুমী, ৰংদৈ, আৰু ফুলেশ্বৰীৰ অকস্মাৎ প্ৰবেশ। পাছে পাছে মলাহী আহে।)

পদু—( অলিৰামলৈ চাই ) স্বৰ্গৰ আশাত যাবলৈ ওলাইছে নে, নাই সংসাৰৰপৰা ভয়ত পলাইছে ?

অলি—তুমি উত্তৰ বিচৰা কোন ? তোমাক উত্তৰ দিবলৈ মই বাধ্য নহওঁ।

পদু—মই পদুমী, অগ্নি-সাক্ষী কৰি যাক আপুনি অৰ্দ্ধাঙ্গিনী বুলি গ্ৰহণ কৰিছিল। শৰীৰে অৰ্দ্ধভাগ এৰি অৰ্দ্ধ ভাগেৰে কেনেকৈ যাব পাৰে ?

অলি—হাঁয় হাঁয়, চয়তানীৰ মুখত ধৰ্ম্ম-কথা। এই প্ৰাণ সমৰ্পণ কৰি তোমাক ভাল পাইছিলোঁ। তাৰ ফলত আজি মোৰ এই গতি !

পদু—যি মানুহে নিজৰ শৰীৰৰ একে অৰ্দ্ধভাগকে তিনি বেচা দিয়ে, তেনেকুৱা মানুহৰ মুখত ধৰ্ম্ম-কথা। শুনিলে হাঁহি উঠে। আপোনাৰ নিচিনা অনাচাৰী পৃথিৱীত নাই। আপুনি স্বৰ্গলৈ যাবলৈ ওলাইছে, আপোনাৰ নিমিত্তে বেলেগ এখন স্বৰ্গ সৃষ্টি কৰিলে হে হব। আপুনি ফাঁকি-ফুকা দি স্বৰ্গলৈ যাব পাৰিলেও

তাতো গৈ যে তিনিজনী ছোৱালী বিয়া নকৰিব, সেই কথা কোনেও বিশ্বাস কৰিব নোৱাৰে। ধিক্ আপোনাৰ ভণ্ডামি !

অলি—মই তোমাৰে তৰ্ক নকৰোঁ, তৰ্কত লাভ নাই। মই যাবলৈ ওলাইছোঁ যাম, তাত কাৰো হস্তক্ষেপ কৰিবৰ অধিকাৰ নাই।

পদ্ম—মোৰ সম্পূৰ্ণ অধিকাৰ আছে। বিয়া কৰি আনিছিল যেতিয়া মোক খোৰাক-পোছাক দিবলৈ আপুনি বাধ্য।

অলি—খোৰাক-পোছাকৰ বন্দবস্ত কৰিছোঁ। সেই বাবে একো ভয় নাই।

পদ্ম—বিয়া কৰোঁতে আপুনি কৈছিল নে— মই তোমাক বিয়া কৰিছোঁ, খোৰাক-পোছাক দি থাকিম কিন্তু মোক হলে কেতিয়াও দেখা নোপোৱাঁ ?

অলি—তোমাৰ চৰিত্ৰ পৱিত্ৰ হোৱা হলে মোক সদায় পালাহেঁতেন। মোৰ যেনেকুৱা কৰ্ত্তব্য আছে বা আছিল, তোমাৰো তেনেকুৱা কৰ্ত্তব্য আছে বা আছিল। পদ্মী, বহুত কষ্টেৰে মায়াৰ ডোল ছিঙ্গিলোঁ। আকৌ মোক মায়াত পেলাবলৈ চেষ্টা নকৰিবা।

ৰংদৈ—আমাৰ গাত দোষ নহলেও দোষ বুলি ধৰি লৈছোঁ। স্বামী দেৱতা। তেওঁৰ দোষ আমি দেখিব নাপায়। আমাৰ হেজাৰ দোষ মাৰ্জ্জনা কৰিও আমাক ৰক্ষা কৰি থাকিব লাগে। আপুনি আমাক এইদৰে অনাথিনী কৰি এৰি থৈ নাযাব। নিতান্ত যদি যাব লাগে, আমাকো লগতে লৈ যাওক।

অলি—তোমালোকক লৈ গলে মোৰ কাশীবাস আৰু সংসাৰবাস একে কথাই হব। সংসাৰৰপৰা বিদায় লব খুজিছোঁ। আজিৰপৰা মোৰ মৃত্যু হল বুলি ভাবিবা। যদি সতী হোৱাঁ, শেহন্তৰত মোৰ লগত পুনৰ মিলন হব।

বংদৈ—প্ৰকৃত সতীৰ সহমৰণ হব লাগে। আপোনাৰ যদি মৃত্যু হল, তেনেহলে আমাৰো তেনেকুৱা মৃত্যু এতিয়াই বাঞ্ছনীয়।

অলি—বংদৈ, তোমাৰ কথাত মই মোহিত হলোঁ। তুমি প্ৰকৃততে সতী। কিন্তু মই মায়াৰ ডোল ছিঙ্গিলোঁ, আৰু মায়াৰ ভিতৰলৈ উলটি নাযাওঁ।

ফুলে—আপোনাৰ সমূলি লাজ নাই। সকলো আপোনাৰ ভণ্ডামিত বাজে একো নহয়। আপোনাৰ যেনে স্বভাৱ, সেই স্বভাৱ লৈ কাশীলৈ গলে কোনো লাভ নাই। বাৰু কওঁকচোন, কাশীত তিৰোতা মানুহ নাই নে?

অলি—সেইবিলাক তিৰোতা মানুহ তোমালোকৰ নিচিনা নিধক নহয়। সকলো ধৰ্ম্ম-পৰায়ণা আৰু ভক্তিমতী। তেওঁবিলাকক দেখিলে মুক্তি হয়।

ফুলে—আমি জানিছোঁ, আপুনি সেই মুক্তি কামনা কৰিছে! আমি আপোনাক যাবলৈ কেতিয়াও এৰি দিব নোৱাৰোঁ।

অলি—মই যাম বুলিলে বলেৰে ৰাখিব পাৰিবা নে কি?

পদ্ম—আৱশ্যক হলে বলেৰে ৰাখিম।

ভোলা—(আচৰিত হৈ) এহ, কিয়া গোলমাল হায়। হুজুৰ অনন্তধামমে যানে মাংতা, আউৰ এহি লোক্ উন্‌কো বেহুদ্দা বোথ্‌তা হায়।

পদ্ম—বাবা, হজুৰৰ ত্ৰিভুৱন ইয়াতে থিয় হৈ আছো, স্বৰ্গ, মৰ্ত্ত্য, পাতাল। ত্ৰিভুৱন এৰি হজুৰ কোন ভুবনলৈ যাব?

মলা—কেৰপাই, তই মোক এৰি কেনেকৈ যাবি। তই দেখোন মোক এৰি নাযাওঁ বুলি শপথ খাইছিলি।

কেৰ—মই জানো যাব খুজিছোঁ, দেউতাৰ পিচে পিচে হে আহিছোঁ।

মলা—পিচে পিচে কাশীলৈ গলিহেঁতেন নে কি?

কেৰ—মই আকৌ কেলৈ যাম। দেউতাক আগ বঢ়াই থবলৈও নাযাম নে কি ?

মলা—মটা মানুহৰ বিশ্বাস নাইকিয়া পাই। মই তোক এৰিব নোৱাৰোঁ।

অলি—কেৰপাই, চেলবেলাই থাকিব নালাগে, আহ্।

( অলিৰাম যাবলৈ উদ্যত হয় আৰু তিনিও ঘৈণীয়ে কাপোৰত ধৰি টনা-আজোৰা কৰে। )

অলি—বাবা, হামকো জোৰসে লে চলিয়ে। স্বৰ্গধামমে জোৰসে লে যানেকো কিয়া ডৰ হ্যায়।

( ভোলানাথ ফকিৰ আৰু চেলাই দুয়ো অলিৰামৰ হাতত ধৰি নিবলৈ চেষ্টা কৰে। অলিৰাম চিত হৈ পৰে। ভৰিৰ ফালে তিনি ঘৈণীয়ে দাঙ্গি ধৰে। মলাহীয়েও লৰালৰিকৈ ভৰিৰ ফালে ধৰে। অলিৰামক কোনেও কোনো ফালে নিব নোৱাৰে। অলিৰামক ধৰি আটাইবিলাক ঘূৰিবলৈ ধৰে। )

অলি—( বিচেষ্টা হৈ চিঞৰি ) অলপ এৰি দে ঐ, উশাহ লওঁ।

( অটাইবিলাকে এৰি দিয়ে। )

অলি—স্বৰ্গলৈ যোৱা আৰু মিছা হল! তিনি ঘৈণীৰ প্ৰেমত পৰি সদ্য প্ৰাণ-নাশৰ আশঙ্কা হল! উৰ্দ্ধবাহু হৈ চিঞৰি কওঁ, কোনেও তিনি সংসাৰ নকৰিব। তিনি ঘৈণীৰ স্বামীৰ সংসাৰ-ভোগ তো নহয়েই, স্বৰ্গ-ভোগো নহয়। তিনি ঘৈণীৰ প্ৰেমত পৰিলে কুমাৰ-চাকৰ দৰে ঘূৰিব লাগে। সংসাৰবাসী, সাৱধান! সাৱধান !!

( পট-ক্ষেপণ। )

---

COLLE
14155
LIBRARY
Accession No.